# অন্বেষণ

ষষ্ঠ বছৰ ■ দ্বাদশ সংখ্যা ■ জানুৱাৰী, ২০২০




## সৰ্বত্ৰ ঘূৰি ফুৰা নিগনিটো

## ভাৰতীয় নাগৰিকত্ব আৰু নাগৰিকত্ব সংশোধনী আইন, ২০১৯



‘অসমৰ চৰাই’ শীৰ্ষক লেখাটোৰ লগত সম্পৰ্কিত ছবি



মৌখাপ



পাতি কাউৰী

# অন্বেষণ


## ষষ্ঠ বছৰ, দ্বাদশ সংখ্যা, জানুৱাৰী ২০২০ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰদ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **ভাৰতীয় নাগৰিকত্ব আৰু নাগৰিকত্ব সংশোধনী আইন, ২০১৯**
- প্ৰণীতা দেৱী

৫ **ফচলৰ উৎসৱ**
- ৰঘুনাথ কুমাৰ

৭ **দেশ-বিদেশৰ খবৰ**
- কুশল গোস্বামী

১১ **খবৰৰ লেছেৰি বোটলা**
- কুশল গোস্বামী

১২ **চতুৰ্থৰপৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৮ **ৰাইট ভ্ৰাতৃদ্বয়**
- কল্যাণী পাটগিৰি

১৯ **কিউবা বিপ্লৱ**
- সুদীপ্তা চৌধুৰী

২১ **প্লাষ্টিক**
- ছায়াস্মিতা বৈশ্য

২২ **চুড’কু**

২৩ **মাঘ মাহ**
- অপৰ্ণা দেৱী

২৪ **কুইজ**
- হিৰণ্য কলিতা

২৫ **বিশ্ব ঐতিহ্য ক্ষেত্ৰ—ভিয়েনা**
- জুলি শইকীয়া

২৬ **প্ৰসাধন**
- মহানন্দ শৰ্মা

২৮ **ৰংগনাথন—ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ জনক**
- সীমান্ত কলিতা

২৯ **মানসিক সামৰ্থ্য বিকাশ**
- ৰবীন্দ্ৰ বৰ্মন

৩০ **সৰ্বত্ৰ ঘূৰি ফুৰা ‘নিগনি’টো**
- অভিজিত শৰ্মা বৰুৱা



**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, দীপক কোচ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**মূল্য** : বিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰদ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰদ্বাৰা মুদ্ৰিত।*

# ভাৰতীয় নাগৰিকত্ব আৰু নাগৰিকত্ব সংশোধনী আইন, ২০১৯

■ প্ৰণীতা দেৱী



কোনো এখন ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰত বাস কৰা লোকসকলকে সাধাৰণভাৱে সেই দেশৰ নাগৰিক বোলা হয়। নাগৰিকসকলে নিজ ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য প্ৰকাশ কৰে। নাগৰিকসকলে নিজৰ দেশত ৰাজনৈতিক অধিকাৰকে ধৰি সকলো অধিকাৰ ভোগ কৰাৰ সুবিধা পায়। ভাৰত স্বাধীন হোৱাৰ সময়ত এই দেশৰ নাগৰিক কোন হ'ব সেই সিদ্ধান্ত লোৱাৰ বাবে সংবিধান সভাই যথেষ্ট সময় লৈছিল।

ভাৰতৰ সংবিধানৰ দ্বিতীয় ভাগত ৫ৰ পৰা ১১ নং অনুচ্ছেদলৈ ভাৰতীয় নাগৰিকত্ব সম্পৰ্কে উল্লেখ আছে। সংবিধানৰ ৫ নং অনুচ্ছেদ অনুসৰি সংবিধান বলবৎ কৰা সময়ত যিসকল লোক ভাৰতবৰ্ষত বাস কৰি আছিল, ভাৰতবৰ্ষত জন্মলাভ কৰিছিল, যাৰ মাক বা দেউতাক যিকোনো এজন ভাৰতত জন্মগ্ৰহণ কৰিছিল নাইবা সংবিধান বলবৎ কৰাৰ ৫ বছৰ আগৰ পৰা ভাৰতত বাস কৰি আছিল সেইসকল লোক ভাৰতৰ নাগৰিক হ'ব। ৬ নং অনুচ্ছেদত পাকিস্তানৰ পৰা ভাৰতবৰ্ষলৈ আহি স্থায়ীভাৱে বাস কৰা লোকৰ নাগৰিকত্ব সম্পৰ্কে উল্লেখ আছে। এই অনুচ্ছেদ অনুসৰি কোনো লোকৰ মাক-দেউতাক বা ককাক-আইতাক যদি অবিভক্ত ভাৰতবৰ্ষত জন্মলাভ কৰিছিল তেতিয়া তেওঁক ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰা হ'ব। অৱশ্যে এই ক্ষেত্ৰত ব্যক্তিজন ১৯৪৮ চনৰ ১৯ জুলাইৰ আগেয়ে ভাৰতলৈ আহি স্থায়ীভাৱে বাস কৰা হ'ব লাগিব অথবা ১৯৪৮ চনৰ ১৯ জুলাইৰ পিছত আহিলে বিধিগতভাৱে পঞ্জীয়নভুক্ত হ'ব লাগিব। ৭ নং অনুচ্ছেদ অনুসৰি ১৯৪৭ চনৰ ১ জুলাইৰ পিছত ভাৰতৰ পৰা পাকিস্তানলৈ যোৱা লোকক ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰা নহ'ব। অৱশ্যে ব্যক্তিগৰাকী পুনৰ ভাৰতলৈ ঘূৰি আহি বিধিগতভাৱে পঞ্জীয়নভুক্ত হ'লে তেনে ব্যক্তিক ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰা হ'ব। ৮ নং অনুচ্ছেদ অনুসৰি সংবিধান বলবৎ কৰাৰ সময়ত বিদেশত থকা ভাৰতীয় লোকে সেই দেশত থকা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰদূতৰ ওচৰত পঞ্জীয়নভুক্ত হ'লে, তেনে লোকক ভাৰতবৰ্ষৰ নাগৰিক হিচাপে গণ্য কৰা হ'ব। ৯ নং অনুচ্ছেদ অনুসৰি স্বেচ্ছাই কোনো বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব গ্ৰহণ কৰিলে এজন ভাৰতীয় নাগৰিকে নাগৰিকত্ব হেৰুৱাব। ১০ নং অনুচ্ছেদত নাগৰিকত্ব বৰ্তি থকাৰ বিষয়ে উল্লেখ আছে। ১১ নং অনুচ্ছেদে নাগৰিকত্ব সম্পৰ্কে বিধি-বিধান ৰচনাৰ দায়িত্ব সংসদৰ ওপৰত ন্যস্ত কৰিছে।

১৯৫৫ চনত ভাৰতৰ সংসদে নাগৰিকত্ব আইন প্ৰণয়ন কৰে। এই আইনত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নাগৰিকত্ব লাভৰ লগতে কি কি কাৰণত এজন নাগৰিকে নাগৰিকত্ব হেৰুৱাব পাৰে সেই বিষয়ে উল্লেখ আছে। এই আইন অনুসৰি ভাৰতীয় নাগৰিকত্ব লাভৰ উপায়সমূহ হ'ল—

### ১। জন্মৰ দ্বাৰা (Citizenship by Birth)

১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৮৭ চনৰ ১ জুলাইলৈ ভাৰতত জন্মগ্ৰহণ কৰা সকলো লোকেই ভাৰতৰ নাগৰিক। কিন্তু ১৯৮৭ চনৰ ১ জুলাইৰ পাছত জন্মগ্ৰহণ কৰা লোকসকলৰ মাক বা দেউতাকৰ যিকোনো এজন ভাৰতীয় নাগৰিক হ'লেহে নাগৰিকত্ব লাভ কৰিব। আনহাতে ২০০৮ চনৰ ৩ ডিছেম্বৰত পাছত ভাৰতত জন্মগ্ৰহণ কৰা লোকসকলো ভাৰতীয়

নাগৰিক হ'ব যদিহে তেওঁলোকৰ জন্মৰ সময়ত মাক-দেউতাক দুয়োজনেই ভাৰতীয় নাগৰিক হয় অথবা মাক-দেউতাকৰ যিকোনো এগৰাকী ভাৰতীয় নাগৰিক কিন্তু আনগৰাকী অনুপ্ৰৱেশকাৰী নহয়। অৱশ্যে ভাৰতত থকা বিদেশী কূটনীতিবিদসকলৰ সন্তানৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহ'ব।

## ২। বংশানুক্ৰমে নাগৰিকত্ব লাভ (Citizenship by Descent)

১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৯২ চনৰ ১০ ডিছেম্বৰলৈ ভাৰতৰ বাহিৰত জন্মগ্ৰহণ কৰা লোকক ভাৰতীয় নাগৰিক বুলি ধৰা হ'ব যদিহে সেই ব্যক্তিৰ দেউতাক তেওঁৰ জন্মৰ সময়ত ভাৰতীয় নাগৰিক হয়। ১৯৯২ চনৰ ১০ ডিছেম্বৰৰ পাছত বিদেশত জন্মগ্ৰহণ কৰা লোককো ভাৰতীয় নাগৰিক হিচাপে ধৰা হ'ব যদিহে সেই ব্যক্তিৰ মাক বা দেউতাক যিকোনো এজন সেই সময়ত ভাৰতৰ নাগৰিক হয়। আনহাতে ২০০৪ চনৰ ৩ ডিছেম্বৰৰ পাছত বিদেশত জন্মগ্ৰহণ কৰা লোকে বংশানুক্ৰমে ভাৰতৰ নাগৰিক হ'বলৈ কেন্দ্ৰীয় চৰকাৰৰ অনুমতি সাপেক্ষে জন্মৰ এবছৰৰ ভিতৰত ভাৰতীয় দূতাবাসত নাম পঞ্জীয়ন কৰিব লাগিব।

## ৩। পঞ্জীয়নৰ দ্বাৰা নাগৰিকত্ব লাভ (Citizenship by Registration)

অবৈধভাৱে ভাৰতত বাস কৰা লোকসকলৰ বাহিৰে আন যিকোনো লোকে পঞ্জীয়নৰ জৰিয়তে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰে। এই ক্ষেত্ৰত ব্যক্তিগৰাকীয়ে তলৰ যিকোনো এটা চৰ্ত পূৰণ কৰিব লাগিব। সেই চৰ্তসমূহ হ'ল—

ক) এনে ব্যক্তি ভাৰতীয় মূলৰ হ'ব লাগিব আৰু পঞ্জীয়নৰ বাবে আবেদন কৰাৰ ৭ বছৰ আগৰ পৰাই ভাৰতত বাস কৰিব লাগিব।

খ) এনে ব্যক্তি ভাৰতীয় মূলৰ হোৱাৰ উপৰি অবিভক্ত ভাৰতৰ বাহিৰৰ কোনো দেশ বা ঠাইত বাস কৰা লোক হ'ব লাগিব।

গ) ভাৰতীয় লোকৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা কোনো ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব। অৱশ্যে তেনে ব্যক্তিয়ে পঞ্জীয়নৰ বাবে আবেদন কৰাৰ ৭ বছৰ আগৰে পৰা ভাৰতত বাস কৰিব লাগিব।

ঘ) ভাৰতীয় নাগৰিকৰ নাবালক সন্তানেও নাগৰিকত্ব লাভৰ বাবে আবেদন কৰিব পাৰিব।

ঙ) ভাৰতীয় নাগৰিক হিচাপে পঞ্জীয়নকৃত লোকৰ প্ৰাপ্তবয়স্ক সন্তানে ভাৰতীয় নাগৰিকত্ব লাভৰ বাবে আবেদন কৰিব পাৰিব।

চ) এনে এজন লোক যাৰ পিতৃ বা মাতৃ পূৰ্বে স্বাধীন ভাৰতৰ নাগৰিক আছিল আৰু পঞ্জীয়নৰ বাবে আবেদন কৰাৰ ঠিক পূৰ্বে যিয়ে ভাৰতত এবছৰ বাস কৰিছে, তেনে ব্যক্তিয়েও নাগৰিকত্ব লাভৰ বাবে আবেদন কৰিব পাৰিব।

ছ) ভাৰতৰ বাহিৰত বাস কৰা ভাৰতীয় নাগৰিক হিচাপে পাঁচ বছৰ ধৰি পঞ্জীয়নকৃত প্ৰাপ্তবয়স্ক লোক যিয়ে আবেদনৰ পূৰ্বে এবছৰ ভাৰতত বাস কৰিছে, তেনে লোকেও নাগৰিকত্ব লাভৰ বাবে আবেদন কৰিব পাৰিব।

## ৪। দেশীয়কৰণৰ পদ্ধতিৰে নাগৰিকত্ব লাভ (Citizenship by Naturalisation)

ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰা লোকসকলৰ বাহিৰে আন যিকোনো লোকে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আবেদন কৰি দেশীয়কৰণৰ দ্বাৰা ভাৰতীয় নাগৰিক হ'ব পাৰে। এই ক্ষেত্ৰত ব্যক্তিগৰাকীয়ে তলৰ চৰ্তসমূহ পূৰণ কৰিব লাগিব।

ক) আবেদনকাৰী ভাৰতীয় নাগৰিকক দেশীয়কৰণ পদ্ধতিৰে নাগৰিকত্ব প্ৰদান কৰিবলৈ অস্বীকাৰ কৰা দেশৰ নাগৰিক হ'ব নালাগিব।

খ) আবেদনকাৰীয়ে নিজৰ দেশৰ নাগৰিকত্ব ত্যাগ কৰিব লাগিব।

গ) আবেদনকাৰীয়ে আবেদন কৰাৰ সময়ৰ এবছৰৰ আগৰে পৰা ভাৰতবৰ্ষত বাস কৰিব লাগিব নাইবা ভাৰত চৰকাৰৰ অধীনত চাকৰি কৰিব লাগিব।

ঘ) উল্লিখিত বাৰ মাহৰ ঠিক পূৰ্বৰ ১৪ বছৰ তেওঁ ভাৰত বাস কৰা অথবা ভাৰতৰ কোনো চৰকাৰী চাকৰিও কৰ্মৰত হ'ব লাগিব অথবা দুয়োটাৰে

আধা সময় মিলাই মুঠতে ১১ বছৰতকৈ কম হ'ব নালাগিব।

ঙ) আবেদনকাৰী সৎ চৰিত্ৰৰ লোক হ'ব লাগিব।

চ) ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচীত উল্লেখ থকা যিকোনো এটা ভাষাৰ জ্ঞান থাকিব লাগিব।

ছ) নাগৰিকত্ব লাভ কৰাৰ পাছত ভাৰতত থাকিবলৈ বা ভাৰত চৰকাৰৰ অধীনত চাকৰি কৰিবলৈ ইচ্ছুক হ'ব লাগিব।

অৱশ্যে বিজ্ঞান, কলা, দৰ্শন, সাহিত্য, বিশ্বশান্তি আদি ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়োৱা ব্যক্তিৰ ক্ষেত্ৰত ভাৰত চৰকাৰে উল্লিখিত চৰ্তসমূহ এৰা-ধৰা কৰিব পাৰে। দেশীয়কৰণৰ দ্বাৰা নাগৰিকত্ব লাভ কৰা লোকসকলে ভাৰতীয় সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাটো বাঞ্ছনীয়।

### ৫। নতুন অঞ্চল অন্তৰ্ভুক্তিৰ ফলত নাগৰিকত্ব লাভ (By Incorporation of Territory)

যদি কোনো নতুন অঞ্চল ভাৰতৰ অন্তৰ্ভুক্ত হয় তেতিয়াহ'লে সেই অঞ্চলৰ কোন কোন ব্যক্তি ভাৰতৰ নাগৰিক হ'ব সেইটো ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰিব।

১৯৫৫ চনৰ নাগৰিকত্ব আইনখন ১৯৮৫, ১৯৮৬, ১৯৯২, ২০০৩, ২০০৫, ২০১৫ আৰু ২০১৯ চনত সংশোধন ঘটোৱা হৈছে। ২০১৯ চনৰ ১০ ডিছেম্বৰত লোকসভাই আৰু ১১ ডিছেম্বৰত ৰাজ্যসভাই নাগৰিকত্ব সংশোধনী বিধেয়ক গৃহীত কৰাৰ পাছত ১২ ডিছেম্বৰত ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰে। এই নতুন সংশোধনী আইনে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ পৰা ২০১৪ চনৰ ৩১ ডিছেম্বৰৰ পূৰ্বে ভাৰতলৈ অহা হিন্দু, শিখ, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰীষ্টানসকলক দেশীয়কৰণ পদ্ধতিৰে নাগৰিকত্ব লাভৰ বাবে আবেদন কৰাৰ সুবিধা প্ৰদান কৰিছে। লগতে এই লোকসকলৰ ক্ষেত্ৰত আবেদনৰ পূৰ্বে ভাৰতত বাস কৰা বা ভাৰত চৰকাৰৰ অধীনত চাকৰি কৰাৰ মুঠ সময় পূৰ্বৰ ১১ বছৰৰ পৰিৱৰ্তে ৫ বছৰ কৰা হৈছে। আনহাতে এনে কোনো ব্যক্তিৰ বিৰুদ্ধে বিদেশী ন্যায়াধিকৰণত গোচৰ চলি থাকিলেও আবেদন কৰাৰ ক্ষেত্ৰত অযোগ্য বুলি বিবেচিত নহ'ব।

এই সংশোধিত আইনখন অসম, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত জনজাতীয় এলেকাসমূহৰ লগতে আন্তঃৰাজ্যিক পাৰপত্ৰৰ ব্যৱস্থা থকা ৰাজ্যসমূহত কাৰ্যকৰী নহ'ব। আইনখনত স্পষ্ট ভাষাত উল্লেখ নাথাকিলেও সংসদত হোৱা বিতৰ্কৰ সময়ত ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহে ধৰ্মীয় উৎপীড়নৰ বলি হোৱা শৰণাৰ্থীসকলক মৰ্যাদাপূৰ্ণ জীৱন-যাপনত সুবিধা দিয়াৰ বাবে এই আইন প্ৰণয়ন কৰা হৈছে বুলি উল্লেখ কৰিছিল। উল্লেখযোগ্য যে, এই আইনখন প্ৰকৃতাৰ্থত কাৰ্যকৰী হ'বলৈ কেন্দ্ৰীয় গৃহ দপ্তৰে নিয়মাৱলী প্ৰস্তুত কৰিব লাগিব। কিন্তু, সংবিধান উলংঘাকে ধৰি বিভিন্ন অভিযোগেৰে বহুকেইটা ৰাজনৈতিক দল-সংগঠন তথা ব্যক্তিয়ে উচ্চতম ন্যায়ালয়ত আইনখনৰ বিৰুদ্ধে আবেদন দাখিল কৰে। উচ্চতম ন্যায়ালয়ে আইনখনৰ ক্ষেত্ৰত অন্তৰ্ৱৰ্তীকালীন স্থগিতাদেশ দিবলৈ অমান্তি হয়। অৱশ্যে এই সংক্ৰান্তত স্থিতি স্পষ্ট কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ শীৰ্ষ আদালতখনে জাননী জাৰি কৰিছে। আনহাতে, আইনখনৰ লক্ষ্য আৰু উদ্দেশ্যক লৈ জনসাধাৰণৰ মাজত যাতে সন্দেহৰ সৃষ্টি নহয় তাৰ বাবে ইয়াৰ প্ৰকৃত অভিপ্ৰায় প্ৰচাৰ কৰিবলৈ দেশৰ মুখ্য ন্যায়াধীশ এছ. এ. ববড়েই চৰকাৰক মৌখিক পৰামৰ্শ আগবঢ়ায়। উচ্চতম ন্যায়ালয়ে আইনখনৰ সন্দৰ্ভত পৰৱৰ্তী শুনানি ২২ জানুৱাৰীত অনুষ্ঠিত কৰিব।

### অসমৰ প্ৰেক্ষাপটত নাগৰিকত্ব সংশোধনী আইন

স্বাধীনতাৰ পিছত চুবুৰীয়া দেশ বিশেষকৈ পূব পাকিস্তান অৰ্থাৎ বৰ্তমানৰ বাংলাদেশৰ পৰা হোৱা অবৈধ প্ৰব্ৰজনৰ পৰিপ্ৰেক্ষিতত ১৯৭৯ চনত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু আন বিভিন্ন সংগঠনৰ সমৰ্থনত অসমত বিদেশী বহিষ্কাৰ আন্দোলন গঢ় লৈ উঠিছিল। এই আন্দোলনৰ পৰিণতিত ১৯৮৫ চনৰ ১৫ আগষ্টত সদৌ অসম ছাত্ৰ সন্থা তদানীন্তন প্ৰধানমন্ত্ৰী আৰু ৰাজীৱ গান্ধীৰ নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয়। অসম চুক্তি হিচাপে খ্যাত এই চুক্তিৰ জৰিয়তে অসমত নাগৰিকত্ব নিৰ্ধাৰণৰ সীমা ১৯৭১ চনৰ ২৪ মাৰ্চ ধাৰ্য্য কৰা হৈছিল। অৰ্থাৎ এই

চুক্তিৰ জৰিয়তে স্বাধীনতাৰ পিছৰে পৰা ১৯৭১ চনৰ ২৪ মাৰ্চলৈ অসমলৈ অহা সকলো বিদেশীকে নাগৰিকত্ব দিয়াৰ ব্যৱস্থা কৰা হয়। ১৯৮৫ চনৰ নাগৰিকত্ব সংশোধনী আইনে ৬(ক) ধাৰাৰ সংযোজন ঘটাই অসমৰ ক্ষেত্ৰত নাগৰিকত্ব লাভৰ সময়সীমা ১৯৭১ চনৰ ২৪ মাৰ্চ বুলি উল্লেখ কৰে। কিন্তু নাগৰিকত্ব সংশোধনী আইন ২০১৯য়ে আফগানিস্তান, বাংলাদেশ আৰু পাকিস্তানৰ পৰা অহা হিন্দু, বৌদ্ধ, জৈন, পাৰ্চী আৰু খ্ৰিষ্টিয়ান ধৰ্মৰ লোকসকলৰ ক্ষেত্ৰত নাগৰিকত্ব নিৰ্ধাৰণৰ সময়সীমা ২০১৪ চনৰ ৩১ ডিছেম্বৰ ধাৰ্য্য কৰিছে। এই সংশোধনী আইনে অসম চুক্তি উলংঘা কৰিছে আৰু ভাৰতীয় সংবিধানৰ ধৰ্মনিৰপেক্ষ নীতি খৰ্ব কৰি ধৰ্মৰ ভিত্তিত নাগৰিকত্ব নিৰ্ণয়ৰ ব্যৱস্থা বলবৎ কৰিবলৈ বিচাৰিছে। এই আইনখনৰ ফলত বাংলাদেশ বা আন দেশৰ পৰা অহা হিন্দু বিদেশী লোকৰ অবাধ প্ৰব্ৰজনে অসমৰ ভাষা-সংস্কৃতিলৈ সংকট নমাই আনিব। সেয়ে এই আইনৰ বিৰুদ্ধে অসমত সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠনৰ উদ্যোগত প্ৰতিবাদী কাৰ্য্যসূচী ৰূপায়ণ কৰা হৈছে আৰু ইয়াত সৰ্বস্তৰৰ নাগৰিকে ব্যাপক হাৰত অংশগ্ৰহণ কৰিছে। লগতে অসমৰ বিভিন্ন দল-সংগঠনে আইনখন বাতিলৰ বাবে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। ❖

## কলা-সংস্কৃতি

# ফচলৰ উৎসৱ

■ **ৰঘুনাথ কুমাৰ**

অতীজৰে পৰা ভাৰতৰ প্ৰায় সকলো ৰাজ্যতে কৃষি সম্পৰ্কীয় উৎসৱসমূহ প্ৰতি বছৰে জানুৱাৰী মাহৰ মাজ ভাগৰ পৰা পালন কৰি অহা হৈছে। কোনোৱে শস্যৰ শ্ৰীবৃদ্ধি হোৱাৰ মানসেৰে, কোনোৱে শীত বা কুঁৱলী কমকৈ পৰাৰ মানসেৰে, কোনোৱে সূৰ্য্যৰ আশিস বিচাৰি, আকৌ কোনোৱে শস্য চপোৱাৰ আনন্দতে উৎসৱসমূহ উলহ-মালহেৰে উদ্‌যাপন কৰি আহিছে।

দেশখনৰ ভিন্ন ভিন্ন ৰাজ্যত ভিন্ন ভিন্ন ৰং-ঢং তথা নিয়ম-নীতি আৰু পৰম্পৰাৰে এই উৎসৱসমূহ পালন কৰা দেখা যায়। এই সময়ছোৱাত খেতিয়কসকলে নিজৰ নিজৰ উৎপাদিত শস্যসমূহ ঘৰলৈ হেঁপাহেৰে আদৰি আনিবলৈ তৎপৰ হৈ উঠে আৰু শস্য চপোৱাৰ আনন্দত মতলীয়া হৈ পৰে।

উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশৰ মকৰ সংক্ৰান্তি বা তিল সংক্ৰান্তি, অসমত বিহু, কেৰেলাত ঔনম, তামিলনাডুত পোংগল, পঞ্জাৱত লোহড়ী, ঝাৰখণ্ডত সৰহুল তথা গুজৰাটৰ চিলা উৰুৱা উৎসৱ আদি প্ৰত্যক্ষভাৱে শস্যৰ লগত সম্পৰ্কিত উৎসৱ। এই উৎসৱসমূহ ঘাইকৈ জানুৱাৰী মাহৰ মাজভাগৰ পৰা এপ্ৰিল মাহলৈ ভিন্ন ভিন্ন সময়ত পালন কৰা দেখিবলৈ পোৱা যায়।

**সৰহুল উৎসৱ :** আমাৰ দেশৰ ঝাৰখণ্ড ৰাজ্যত এই উৎসৱ বৰ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উৎসৱটো চাৰিদিনীয়াকৈ পালন কৰা হয়। সণ্টাল জনজাতিৰ লোকসকলে ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত আৰু ওৰাং জনজাতিৰ লোকসকলে মাৰ্চ-এপ্ৰিল মাহত এই উৎসৱটি ধুমধামেৰে পালন কৰে।

আদিবাসীসকল সাধাৰণতে প্ৰকৃতিৰ পূজা কৰা লোক। এওঁলোকে প্ৰথম দিনটোত বিশেষ ধৰণে শালগছৰ পূজা-অৰ্চনা আৰম্ভ কৰে। এই সময়ত শালগছত ফুল ফুলিবলৈ আৰম্ভ কৰে তথা বতৰটোও বৰ অনুকূল হয়। সেইদিনা গাঁৱৰ সকলো পুৰুষ-



মহিলাই ঢোল-তাল বজাই গোটেই ৰাতি নৃত্য-গীতত বিভোৰ হৈ পৰে। ইয়াৰ আগতে ঘৰবোৰ মচি-কাচি সুন্দৰকৈ সজাই নিজৰ ঘৰৰ সন্মুখত শাৰীপাতি পৰিয়ালৰ ইজনে সিজনৰ কঁকালত ধৰি নৃত্য কৰে। পিছৰদিনা তেওঁলোকে নাচি-নাচি ঘৰলৈ আহে আৰু ঘৰৰ চৌহদত ফুলৰ পুলি ৰোৱে। ঘৰে ঘৰে গৈ চান্দা তোলা পৰম্পৰা এটিও আছে। চান্দাত মুৰ্গী, চাউল আৰু খিচিৰি বিচৰা হয়। তাৰ পিছত খোৱা-লোৱা আৰু খেলা-ধূলাৰ প্ৰতিযোগিতা আৰম্ভ হয়। তৃতীয়দিনা মূল পূজা আৰম্ভ হয়, পূজা সমাপন কৰি সকলোৰে কাণত 'সৰঈ' ফুল পিন্ধি লয়। সেইদিনাৰ পৰা বসন্ত ঋতু আৰম্ভণি হোৱা বুলি গণ্য কৰা হয়। এওঁলোকে ধানৰো পূজা-অৰ্চনা কৰে আৰু পূজা কৰা ধানখিনি পিছৰ বছৰলৈ সচ (বিধান) হিচাপে ৰুবলৈ ভঁৰালত সযতনে সাঁচি ৰাখি থৈ দিয়ে।

**পোংগল :** তামিলনাডুত মকৰ সংক্ৰান্তি বা শস্যৰ লগত সম্পৰ্ক থকা উৎসৱটোক পোংগল নামেৰে জনা যায়। সেইদিনা মানুহে খাৰিফ শস্যবোৰ যেনে, ধান, মাহ আদি কাটি ঘৰলৈ চপাই আনে। নতুন ধান বানি চাউল উলিয়াই লয়। তামিলনাডুৰ প্ৰতিঘৰ মানুহে এই উৎসৱত একোটাকৈ মাটিৰ পাত্ৰ (কলহ) লৈ আহে। এই মাটিৰ পাত্ৰটোত নতুন চাউল, গাখীৰ আৰু গুড় ভৰাই সেইখিনি সিজাবৰ নিমিত্তে ৰ'দত থৈ দিয়ে। হালধিক এওঁলোকে শুভ আৰু পৱিত্ৰ জ্ঞান কৰে, সেয়েহে হালধিৰে মাটিৰ পাত্ৰটোৰ মুখখন চাৰিওফালৰ পৰা বন্ধ কৰি দিয়া হয় আৰু চাৰে দহ বা এঘাৰ বজালৈ ৰ'দৰ তাপত থৈ দিয়ে। লাহে লাহে গাখীৰখিনি তপত হ'বলৈ ধৰে আৰু গাখীৰ চাউল বাহিৰলৈ ওলাই বাগৰিবলৈ ধৰে। পৰৱৰ্তী সময়ত এই ভোগ সকলোৱে গ্ৰহণ কৰে।

**চিলা উৰুৱা উৎসৱ :** চিলা উৰুৱা উৎসৱ গুজৰাটৰ এটি মুখ্য উৎসৱ। চিলা অবিহনে গুজৰাটত যেন মকৰ সংক্ৰান্তিৰ উদ্‌যাপন আধৰুৱা হৈ পৰে। সেইদিনা আকাশত, ভিন্ন ৰঙী চিলাৰে আকাশখন ভৰি পৰে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে প্ৰত্যেকজন গুজৰাটীয়ে চিলা উৰুৱাত ব্যস্ত হৈ পৰে। হাজাৰ হাজাৰ, লাখ লাখ চিলাই সিদিনা সূৰ্য্যটোকেই ঢাকি ধৰাৰ উপক্ৰম হয়।

**ঘুঘুতি :** উত্তৰাখণ্ডৰ কুমাওত মকৰ সংক্ৰান্তিক ঘুঘুতি বুলি কোৱা হয়। এই দিনটোত এওঁলোকে আটা আৰু গুড় মিহলাই বিভিন্ন প্ৰকাৰৰ মিঠাই প্ৰস্তুত কৰে। মিঠাইবোৰক বিভিন্ন আকৃতি প্ৰদান কৰে, যেনে— ডম্বৰু মিঠাই, তৰোৱাল মিঠাই, ডালিমফুল মিঠাই আদি। মিঠাইবোৰ তেলত ভাজি মালা গঁথা হয় আৰু মালাডালৰ মাজভাগত কমলা আৰু কুঁহিয়াৰৰ সৰু সৰু টুকুৰাৰে সংযোগ কৰা হয়। শিশুবোৰে বৰ আগ্ৰহেৰে মালা গঁথা কামটো সুন্দৰভাৱে কৰে। ৰাতিপুৱা শিশুসকলে অতিপাত শীতৰ বাবে পাহাৰলৈ গুচি যোৱা চৰাইবোৰক মাতি মালাডালৰ পৰা মিঠাই ছিঙি ছিঙি খাবলৈ দিয়ে।

এনেদৰে ভিন্ন ভিন্ন নিয়ম-নীতি তথা পৰম্পৰাৰে মকৰ সংক্ৰান্তি বিভিন্ন ৰাজ্য তথা অঞ্চল বিশেষে পালন কৰি অহা হৈছে। ক'ৰবাত যদি গাখীৰ, চাউল আৰু গুড়েৰে খীৰ প্ৰস্তুত কৰা হয় ক'ৰবাত আকৌ পাঁচ ধৰণৰ শস্য-পাচলিৰে খিচিৰি প্ৰস্তুত কৰা হয়।

সংক্ৰান্তিৰ দিনা লাগিলে যিমানেই শীত নহওক কিয়, নদীৰ বৰফ শীতল পানীত গাটো তিওৱা বা স্নান কৰাটো এটা পৱিত্ৰ কাৰ্য বুলি ধৰা হয়। মানুহে ইয়াকে কৰি নিজকে ধন্য মানে আৰু সৌভাগ্যবান বুলি গণ্য কৰে। ❖

## ড° জয়শ্ৰী গোস্বামী মহন্ত আৰু ড° ফুকন চন্দ্ৰ বসুমতাৰীলৈ সাহিত্য অকাডেমি বঁটা





বিশিষ্ট ঔপন্যাসিক, শিশু সাহিত্যিক ড° জয়শ্ৰী গোস্বামী মহন্ত আৰু বিশিষ্ট কবি, লেখক ড° ফুকন চন্দ্ৰ বসুমতাৰীয়ে ২০১৯ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিশিষ্ট ঔপন্যাসিক ড° মহন্তই 'চাণক্য' উপন্যাসখনৰ বাবে আৰু ড° বসুমতাৰীয়ে বড়ো ভাষাত ৰচিত কবিতাপুথি 'আখাই আথুমনিফ্ৰীহ'ৰ বাবে এই বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১৮ ডিছেম্বৰত নতুন দিল্লীত সাহিত্য অকাডেমিৰ অধ্যক্ষ চন্দ্ৰশেখৰ কাম্বাৰে আনুষ্ঠানিকভাৱে এই বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। এই বৰ্ষত ভাৰতৰ মুঠ ২৩টা ভাষাত সাহিত্য অকাডেমি বঁটা আগবঢ়োৱা হৈছে।

বঁটাপ্ৰাপক ড° মহন্তই বৰ্তমানলৈ ৬৮ খন গ্ৰন্থ ৰচনা কৰাৰ লগতে গুৱাহাটীৰ পৰা প্ৰকাশিত অসমীয়া দৈনিক বাতৰি কাকত 'এদিনৰ সংবাদ'ৰ মুখ্য পৰিচালন সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। 'চাণক্য' উপন্যাসখনৰ বাবে তেওঁ ২০১৭ চনত অসম সাহিত্য সভাৰ 'অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী' বঁটাও লাভ কৰিছিল। ১৯৬১ চনত ধুবুৰী জিলাৰ গৌৰীপুৰত জন্মলাভ কৰা কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকাগৰাকীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে গান্ধাৰী, অন্য এক ৰত্নাকৰ, বিশ্বৰ শ্ৰেষ্ঠ সাধু ইত্যাদি। পদ্মশ্ৰী ড° মহন্তৰ কেইবাখনো গ্ৰন্থ হিন্দী, মাৰাঠী, বড়ো আদি ভাষালৈ অনুবাদ হৈছে।

আনহাতে বড়ো ভাষাৰ বঁটাপ্ৰাপক ড° বসুমতাৰীৰ ঘৰ বৰপেটা জিলাৰ বেন্নাবাৰীত। বৰ্তমান বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ বড়ো ভাষাৰ অধ্যাপকৰূপে কৰ্মৰত ড° বসুমতাৰীৰ প্ৰায় কুৰিখন গ্ৰন্থ প্ৰকাশ পাইছে। ২০০০ চনত 'নৈ বে লামনিফ্ৰাই' (এই পথৰ পৰা) নামৰ কবিতা পুথিখনৰ জৰিয়তে সাহিত্য জগতত প্ৰৱেশ কৰা ড° বসুমতাৰীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে 'এন ইনট্ৰ'ডাকছন টু দা বড়ো ট্ৰাইব', 'ৰাভা ট্ৰাইবছ অব নৰ্থ-ইষ্ট এণ্ড বাংলাদেশ', 'আং আবৌ আংনি প্ৰলাপ' ইত্যাদি।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লেখক শশী থাৰুৰলৈ 'এন এৰা অব ডাৰ্কনেছ' গ্ৰন্থৰ বাবে ইংৰাজী ভাষাত সাহিত্য অকাডেমি বঁটা আগবঢ়োৱা হৈছে।

অহা ২৫ ফেব্ৰুৱাৰীত নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া সাহিত্য উৎসৱত এই বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। এই বঁটাত আছে মানপত্ৰ আৰু নগদ এক লাখ টকা।

## ৰূপম শৰ্মা পৰিচালিত 'ৱান-লিট্‌ল ফিংগাৰ' অস্কাৰলৈ মনোনীত






আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰবাসী অসমীয়া ৰূপম শৰ্মাৰ দ্বাৰা পৰিচালিত 'ৱান লিট্‌ল ফিংগাৰ' নামৰ ছবিখন অস্কাৰ বঁটাৰ তিনিটা শাখাৰ বাবে মনোনীত হৈছে। যোৱা ১৭ ডিছেম্বৰত 'অক্ষমতাক সক্ষমতা' হিচাপে প্ৰতিপন্ন কৰা এই ছবিখনে শ্ৰেষ্ঠ মৌলিক গীত, শ্ৰেষ্ঠ সংগীত আৰু শ্ৰেষ্ঠ ছবিৰ শাখাত মনোনয়ন লাভ কৰিবলৈ সক্ষম হৈছে। ইংৰাজী ভাষাত নিৰ্মাণ হোৱা ছবিখনত অসম, পশ্চিমবংগ, দক্ষিণ ভাৰত, মুম্বাই আৰু

হলীউডৰ শিল্পীৰ লগতে ৮০ গৰাকী বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালীয়ে অভিনয় কৰিছে। তদুপৰি অসমৰ বিশিষ্টা অভিনেত্ৰী মলয়া গোস্বামী, জয়া শীল ঘোষ আৰু পবিত্ৰ ৰাভাই ছবিখনত অভিনয় কৰিছে। জীৱনৰ সঁচা ঘটনাৰ আধাৰত নিৰ্মাণ কৰা ছবিখন ইতিমধ্যে বিভিন্ন কথাছবি মহোৎসৱত প্ৰদৰ্শিত হৈছে। এই কথাছবিখনে এই বৰ্ষৰ ২০ মাৰ্চত ভাৰতত মুক্তি লাভ কৰিব।

## ট'নি এন সিঙলৈ মিছ ৱৰ্ল্ড খিতাপ




ভাৰতীয় মূলৰ জামাইকাৰ সুন্দৰী ট'নি এন সিঙে ২০১৯ বৰ্ষৰ মিছ ৱৰ্ল্ড খিতাপ লাভ কৰিছে। লণ্ডন চহৰত অনুষ্ঠিত 'মিছ ৱৰ্ল্ড-২০১৯'ৰ চূড়ান্ত প্ৰতিযোগিতাত ফ্ৰান্সৰ আপেল' মেজিনীয়ে দ্বিতীয় আৰু ভাৰতৰ সুমন ৰাৱে তৃতীয় স্থান লাভ কৰে। ৬৯ সংখ্যক এই প্ৰতিযোগিতা যোৱা ১৪ ডিছেম্বৰত লণ্ডন চহৰত অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাত বিশ্বৰ ১১৫ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। এই বৰ্ষৰ মিছ ৱৰ্ল্ড ট'নি এন সিং আমেৰিকা যুক্তৰাজ্যৰ ফ্লৰিডা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ছাত্ৰী। ভৱিষ্যতে এগৰাকী মনোৰোগৰ চিকিৎসক হোৱাৰ মন মেলা ট'নিয়ে সদ্যহতে কেৰিবিয়ান ষ্টুডেণ্টছ এছ'চিয়েছনৰ সভাপতিৰ দায়িত্ব বহন কৰি আছে। চূড়ান্ত খিতাপ বিজয়ী ট'নিয়ে মুকুট, মানপত্ৰৰ লগতে নগদ ১০ কোটি টকা লাভ কৰে।

## মাৰ্কিন মহাকাশ বাহিনী গঠন




যোৱা ২২ ডিছেম্বৰত আমেৰিকা যুক্তৰাষ্ট্ৰই মহাকাশ বাহিনী (স্পেচ ফৰ্চ) গঠন কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। দেশখনৰ সেনাবাহিনীৰ ষষ্ঠটো শাখা 'মহাকাশ বাহিনী' গঠনত ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে যাৱতীয় বিধেয়কত স্বাক্ষৰ প্ৰদান কৰে। আমেৰিকা যুক্তৰাজ্যত গঠন হ'বলগীয়া মহাকাশ বাহিনীত যোল্ল হেজাৰ প্ৰশিক্ষণপ্ৰাপ্ত সৈনিক থাকিব। মহাকাশত সৃষ্টি হ'ব পৰা বিপদৰ সৈতে মোকাবিলা কৰিবলৈ এই বাহিনীটো গঠন কৰা হৈছে। চীন, ৰাছিয়া আদি দেশৰ পৰা আহিব পৰা বিপদ তথা ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি এই বাহিনীটো গঠন কৰা হৈছে। এই নতুনকৈ নিৰ্মাণ কৰিবলগীয়া নিৰাপত্তা বাহিনীটোৱে বায়ুসেনা বিভাগৰ লগত সমন্বয় ৰক্ষা কৰি চলিব। এই বাহিনীটোৰ বাবে দৰকাৰী নতুন বিমান, মহাকাশযান, ক্ষেপণাস্ত্ৰ, ৰকেট আদি আমেৰিকাতেই নিৰ্মাণ কৰা হ'ব বুলি ৰাষ্ট্ৰপতিয়ে ঘোষণা কৰে। এই বাহিনীটো নিৰ্মাণ কৰিবৰ বাবে ইতিমধ্যে ৭৩৮ বিলিয়ন মাৰ্কিন ডলাৰ ধাৰ্য্য কৰা হৈছে। মহাকাশ বাহিনী থকা একমাত্ৰ আমেৰিকাই বিনাবাধাই অতি সহজে মহাকাশ আক্ৰমণ প্ৰতিৰোধ কৰিব পাৰিব।

## ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচন

যোৱা ৩০ নৱেম্বৰৰ পৰা ২০ ডিছেম্বৰলৈকে পাঁচটা পৰ্যায়ত ঝাৰখণ্ড বিধানসভাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হয়। ২৩ ডিছেম্বৰত ঘোষিত ফলাফল অনুসৰি বিৰোধী জেএমএম-কংগ্ৰেছ-আৰ জে ডি মিত্ৰজোঁটে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হয়। বিৰোধী জে এম এম-কংগ্ৰেছ-আৰ জে ডি মিত্ৰজোঁটে ৮১ জনীয়া বিধানসভাত ৪৭ খন আসন দখল কৰাৰ বিপৰীতে শাসকীয় দল বি জে পিয়ে মাত্ৰ ২৫ খন আসনহে লাভ কৰে। নিৰ্বাচনত ঝাৰখণ্ড মুক্তি মৰ্চা (জে এম এম) আৰু কংগ্ৰেছ দলে ক্ৰমে ৩০ আৰু ১৬ খন আসন লাভ কৰি চৰকাৰ গঠনৰ পথ প্ৰশস্ত কৰি তোলে। এই নিৰ্বাচনত মুখ্যমন্ত্ৰী ৰঘুবৰ দাসসহ সাতগৰাকী মন্ত্ৰী শোচনীয়ভাৱে পৰাজিত হয়। প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু ছোৰেনৰ পুত্ৰ তথা জে এম এমৰ নিকা ভাৱমূৰ্তিৰ নেতা হেমন্ত ছোৰেনে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

## ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ পৰলোকপ্ৰাপ্তি



সাহিত্য অকাডেমি বঁটাবিজয়ী, বিশিষ্ট কবি, সাহিত্যিক তথা শিক্ষাবিদ ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ যোৱা ৫ ডিছেম্বৰত মৃত্যু হয়। বিভিন্ন সৃষ্টিৰে অসমৰ সাহিত্য ভঁৰাল চহকী কৰা বিশিষ্ট সাহিত্যিকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৮ বছৰ। বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ব্ৰজেন্দ্ৰ কুমাৰ ব্ৰহ্মৰ কোকৰাঝাৰ জিলাৰ ছালানী বঁটাবাৰী গাঁৱত ১৯৪৩ চনত জন্ম হৈছিল। ২০০১ চনত শিক্ষকতা চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা ব্ৰজেন কুমাৰ ব্ৰহ্মৰ সাহিত্য সভাৰ সভাপতিৰ কাৰ্যকালতে বড়ো ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীভুক্ত হয়।

২০০৯ চনত 'বাইদি গাব বাইদি দেংখৌ' (বিবিধ সুৰ বিবিধ বৰণ) কবিতা পুথিৰ বাবে সাহিত্য অকাডেমি বঁটাপ্ৰাপ্ত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীয়ে টেগ'ৰ সাহিত্য বঁটাকে ধৰি বিভিন্ন বঁটা তথা সন্মান লাভ কৰিছিল। ব্ৰহ্মৰ উল্লেখযোগ্য কেইখনমান পুথি হৈছে—অখ্ৰাংগেংচে নাংগৌ, আং ফৈফিনবায়, খুনলাই আৰৌ, স্বৌৰ্জি, নৌজৌৰ আৰো ছানশ্ৰী আদি। কোকৰাঝাৰ চহৰ নিবাসী ব্ৰহ্মই মৃত্যুৰ সময়ত সহধৰ্মিনীসহ দুই পুত্ৰ-বোৱাৰী এৰি থৈ গৈছে। ব্ৰহ্মৰ মৃত্যু ৰাজ্যখনৰ সাহিত্য জগতখনৰ বাবে এক অপূৰণীয় ক্ষতি বুলি বিবেচিত হৈছে।

## নতুন সেনাপ্ৰধান মনোজ মুকুন্দ নৰৱনে



যোৱা ১৭ ডিছেম্বৰত দেশৰ পৰৱৰ্তী সেনাপ্ৰধান হিচাপে মনোজ মুকুন্দ নৰৱনেক নিযুক্তি প্ৰদান কৰা হয়। বৰ্তমানৰ সেনাপ্ৰধান জেনেৰেল বিপিন ৰাৱটৰ কাৰ্যকাল ৩১ ডিছেম্বৰত অন্ত পৰিব। লেফটেনেণ্ট জেনেৰেল নৰৱনেই অহা ১ জানুৱাৰীত সেনাপ্ৰধান জেনেৰেল বিপিন ৰাৱটৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰিব। নতুন সেনাপ্ৰধানগৰাকীয়ে দুবছৰ চাৰিমাহ এই পদত কাৰ্যনিৰ্বাহ কৰিব। যুদ্ধ নীতিৰ বিশেষজ্ঞ লেফটেনেণ্ট জেনেৰেল নৰৱনেই জম্মু-কাশ্মীৰ আৰু উত্তৰ-পূব ভাৰতৰ সন্ত্ৰাসবাদী তথা বিদ্ৰোহীৰ বিৰুদ্ধে যুঁজ দিয়াৰ অভিজ্ঞতাৰে পুষ্ট এজন দক্ষ, সাহসী সেনা বিষয়া ৰূপে পৰিচিত। ৫৯ বছৰীয়া নৰৱনেই লেফটেনেণ্ট জেনেৰেল হোৱাৰ পূৰ্বে 'ইষ্টাৰ্ণ কমাণ্ড'ৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ৩৮ বছৰীয়া সামৰিক চাকৰি কালত বিভিন্ন পদত সফলতাৰে সেৱা আগবঢ়োৱা নৰৱনে ইতিমধ্যে পি ভি এছ এম, এ ভি এছ এম আদি পদক লাভেৰে কৃতিত্ব অৰ্জন কৰিছে। মহাৰাষ্ট্ৰৰ পুনেত ১৯৬০ চনত জন্মগ্ৰহণ কৰা নৰৱনে হৈছে দেশৰ ২৮ সংখ্যক সেনাপ্ৰধান। নেশ্বনেল ডিফেন্স একাডেমিৰ প্ৰাক্তন ছাত্ৰগৰাকীয়ে সেনাপ্ৰধান হিচাপে অন্যান্য সা-সুবিধাৰ লগতে মাহে ৩ লাখ টকা দৰমহা লাভ কৰিব।

## ইংলেণ্ডৰ সাধাৰণ নিৰ্বাচন



যোৱা ১২ ডিছেম্বৰত ইংলেণ্ডৰ সংসদৰ সাধাৰণ নিৰ্বাচন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হৈ যায়। ইংলেণ্ডৰ নিম্ন সদন 'হাউচ অব্ কমনছ'ৰ এই নিৰ্বাচনত কনজাৰভেটিভ দলে একক সংখ্যাগৰিষ্ঠতা লাভ কৰে। ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছন নেতৃত্বাধীন এই দলটোৱে ৬৫০ খন আসনযুক্ত নিম্ন সদনত মুঠতে ৩৬৫ খন আসন দখল কৰিবলৈ সক্ষম হয়। এই দলটোৱে মুঠ ভোটৰ ৪৩.৬ শতাংশ লাভ কৰিবলৈ সমৰ্থ হয়। আনহাতে লেবাৰ পাৰ্টিয়ে ৩২.১ শতাংশ ভোটসহ ২০২ খন আসন লাভ কৰে। ৫৫ বছৰীয়া জনছনে দেশখনৰ প্ৰধানমন্ত্ৰী হিচাপে অহা

৩১ জানুৱাৰীৰ ভিতৰত ব্ৰেক্সিট প্ৰক্ৰিয়াৰে ইংলেণ্ডক ইউৰোপীয়ান ইউনিয়নৰ পৰা বিচ্ছিন্ন কৰিব পাৰিব। নিৰ্বাচনত ইউৰোপীয়ান ইউনিয়ন ত্যাগ কনজাৰভেটিভ দলৰ এটা প্ৰধান প্ৰতিশ্ৰুতি আছিল। উল্লেখযোগ্য যে ২০১৬ চনত অনুষ্ঠিত গণভোটত দেশখনৰ জনতাই ব্ৰেক্সিট ভোটৰ জৰিয়তে ইংলেণ্ডক ইউৰোপীয়ান ইউনিয়নৰ পৰা বিচ্ছিন্ন কৰাৰ পথ সুগম কৰিছিল। কিন্তু যোৱা তিনি বছৰত সেয়া সম্ভৱ নোহোৱাত ১২ ডিছেম্বৰত আকৌ এবাৰ মধ্যকালীন নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। উল্লেখযোগ্য যে এইবাৰৰ নিৰ্বাচনত গগন মহিন্দ্ৰ, নৰেন্দ্ৰ মিশ্ৰকে ধৰি ১২ জন ভাৰতীয় মূলৰ প্ৰাৰ্থীয়ে জয়লাভ কৰে। ইংলেণ্ডৰ ইউৰোপীয়ান ইউনিয়ন ত্যাগৰ বাবে ভাৰতৰ লগত বাণিজ্যিক সম্পৰ্ক দ্ৰুতগতিত বৃদ্ধি পাব বুলি আশা কৰা হৈছে। নতুন প্ৰধানমন্ত্ৰী হিচাপে বৰিছ জনছনে ভাৰত ভ্ৰমণেৰে বিদেশ ভ্ৰমণ আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে।

## বিশিষ্ট কবি অনুপম কুমাৰৰ দেহাৰসান



বিশিষ্ট কবি, অনুবাদক, নাট্যকাৰ, সাহিত্যিক অনুপম কুমাৰৰ যোৱা ২১ ডিছেম্বৰত গুৱাহাটীত ৬০ বছৰ বয়সত দেহাৰসান ঘটে। ১৯৬০ চনৰ ২ এপ্ৰিলত পলাশবাৰী চহৰত জন্মগ্ৰহণ কৰা বিশিষ্ট কবি কুমাৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা হিন্দী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ত অধ্যাপনাৰে কৰ্মজীৱন আৰম্ভ কৰে। পৰৱৰ্তী সময়ত উত্তৰ লখিমপুৰ মহাবিদ্যালয়তো অধ্যাপনা কৰা কবিগৰাকীয়ে সাংস্কৃতিক সঞ্চালকালয়তো সেৱা আগবঢ়াই কৰ্মৰত হৈ আছিল। 'প্ৰিয়ংকা' কবিতাপুথিখনেৰে সাহিত্য কৰ্ম আৰম্ভ কৰা কবিগৰাকীৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে—'মই অমূল্য বৰুৱা', 'নেইলকাটাৰ আৰু অন্যান্য কবিতা', 'কুণ্ডত কটা পৃথিৱীৰ বাবে মই তোমাক হত্যা কৰিম', 'মাটিকঁঠালৰ গোন্ধ', 'এমুঠি আন্ধাৰ এমুঠি পোহৰ' আদি। অনূদিত গ্ৰন্থকেইখনমান হৈছে 'গালিব আৰু গালিবৰ কবিতা', 'হিন্দী সাহিত্যৰ শ্ৰেষ্ঠ উপহাৰ', 'উমৰাওজান', 'কবীৰ, গালিব, অমৃতা প্ৰীতম', 'আন্ধাৰ নগৰী চৌপাত ৰাজা' ইত্যাদি। তেওঁৰ দ্বাৰা ৰচিত জনপ্ৰিয় উপন্যাস এখন হৈছে 'আন্ধাৰ সমতল'। বিশিষ্ট কবিগৰাকীৰ দ্বাৰা হিন্দী ভাষাত ৰচিত মৌলিক গ্ৰন্থসমূহ হৈছে 'মোঁ বেছতা হুঁ দৰ্দ', 'লোহিত ঘাটী কে গীত অউৰ কবিতায়ে', 'আছাম কে লোক নৃত্য' ইত্যাদি। ২০০১ চনত ভাৰতৰ ৰাষ্ট্ৰপতি বঁটা লাভ কৰা বিশিষ্ট কবিগৰাকীয়ে আন কেইবাটাও ৰাষ্ট্ৰীয় বঁটা তথা সন্মান লাভ কৰি ৰাজ্যখনলৈ সুনাম আৰু গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ভাৰত চৰকাৰৰ পৰা দুবছৰীয়া 'ছিনিয়ৰ ফেল'শ্বিপ' লাভ কৰা বিশিষ্ট কবিগৰাকীয়ে 'মোঁ বেছতা হুঁ দৰ্দ' গ্ৰন্থখনৰ বাবে উৎকৃষ্টতাৰ শ্ৰেষ্ঠ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল। সাহিত্য অকাডেমি, নেছনেল বুক ষ্ট্ৰাট অব্ ইণ্ডিয়া, কেন্দ্ৰীয় হিন্দী সঞ্চালকালয় আদি ৰাষ্ট্ৰীয় শৈক্ষিক প্ৰতিষ্ঠানৰ লগত ঘনিষ্ঠভাৱে জড়িত বিশিষ্ট কবিগৰাকীৰ মৃত্যু ৰাজ্যখনৰ বাবে এক বৃহৎ বৌদ্ধিক ক্ষতি। মৃত্যুৰ সময়ত কবিগৰাকীয়ে পত্নী আৰু একমাত্ৰ কন্যাক এৰি থৈ যায়।

**■ সংগ্ৰহ : কুশল গোস্বামী**

# তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (ডিছেম্বৰ)

১। জয়পুৰ
২। কালিদাস
৩। উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়া
৪। গ্ৰীচ দেশত
৫। লাম্বাচিংগি (অন্ধ্ৰপ্ৰদেশ)

## খবৰৰ লেছেৰি বোটলা

**(২১ নৱেম্বৰ, ২০১৯ ৰপৰা ২০ ডিছেম্বৰ, ২০১৯লৈ)**

২১ **নৱেম্বৰ :** সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰিব বুলি কেন্দ্ৰীয় চৰকাৰে সংসদত ঘোষণা কৰে।

২৩ **নৱেম্বৰ :** ডুবাইত ভাৰতৰ তাৰকা বক্সাৰ বীজেন্দ্ৰৰ সিঙে পেছাদাৰী বক্সিঙত একেৰাহে দ্বাদশবাৰলৈ বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হয়।

২৪ **নৱেম্বৰ :** বিশিষ্ট উদ্ভাৱক উদ্ধৱ ভৰালীক মহাবীৰ লাচিত বঁটা প্ৰদান কৰা হয়।

২৫ **নৱেম্বৰ :** ১৫ ফেব্ৰুৱাৰীত গুৱাহাটীত ফিল্মফেয়াৰ এৱাৰ্ড অনুষ্ঠান হ'ব বুলি অসম চৰকাৰ আৰু দা টাইমছ গ্ৰুপে ঘোষণা কৰে।

২৬ **নৱেম্বৰ :** যোৰহাটৰ নেশ্বনেল ইনষ্টিটিউট অব ডিজাইন (এন আই ডি)ক ৰাষ্ট্ৰীয় গুৰুত্ব থকা প্ৰতিষ্ঠানৰূপে স্বীকৃতি দি সংসদত বিধেয়ক গৃহীত কৰা হয়।

২৯ **নৱেম্বৰ :** অশোক স্তম্ভ থকা চৰকাৰী চীল অপপ্ৰয়োগ কৰিলে একলাখ টকা জৰিমণা বিহা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে।

৩০ **নৱেম্বৰ :** বেংককত অনুষ্ঠিত মহাদেশীয় প্ৰতিযোগিতাত ভাৰতীয় ধনুৰ্বিদ দীপিকা কুমাৰীয়ে স্বৰ্ণপদক লাভ কৰে।

- থাইলেণ্ডৰ পাটায়া চহৰত অনুষ্ঠিত বিশ্ব দেহশ্ৰী প্ৰতিযোগিতাত অসমৰ বকোৰ দ্বীপজ্যোতি বড়োৱে 'মিষ্টাৰ ইউনিভাৰ্ছ' সন্মান লাভ কৰে।

১ **ডিছেম্বৰ :** ন'বেল বঁটা বিজয়ী মালালা ইউছুফজাইক ৰাষ্ট্ৰসংঘই দশকটোৰ 'বিশ্বশ্ৰেষ্ঠ কিশোৰী' বুলি স্বীকৃতি প্ৰদান কৰে।

৫ **ডিছেম্বৰ :** অনুসূচীত জাতি (এছ চি) আৰু অনুসূচীত জনজাতি (এছ টি)ৰ বাবে সংৰক্ষণৰ ম্যাদ আৰু দহ বছৰলৈ কেন্দ্ৰীয় চৰকাৰে বৃদ্ধি কৰে।

১০ **ডিছেম্বৰ :** অসমৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান ফটিক দত্ত গোস্বামীয়ে ড° বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান, ২০১৯ লাভ কৰে।

- চান্না মাৰিনে ৩৪ বছৰ বয়সত বিশ্বৰ সৰ্বকনিষ্ঠ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। (ফিনলেণ্ড)।

১২ **ডিছেম্বৰ :** 'দা আছাম ট্ৰিবিউন' কৰ্তৃপক্ষক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে।

- ভাৰতীয় ক্ৰিকেট দলৰ তাৰকা খেলুৱৈ ৰোহিত শৰ্মাক লা লীগা ফুটবল লীগৰ ব্ৰেণ্ড এম্বেছাদৰ নিয়োগ কৰা হয়।

১৩ **ডিছেম্বৰ :** চেন্নাইত অনুষ্ঠিত সৰ্বভাৰতীয় পোষ্টেল টেবল টেনিছ প্ৰতিযোগিতাত অসমৰ (পুৰুষ) দলে স্বৰ্ণপদক লাভ কৰে।

১৪ **ডিছেম্বৰ :** দেশৰ মুখ্য ন্যায়াধীশ এছ এ ববডেই ভাৰতৰ ন্যায়পালিকাত কৃত্ৰিম বুদ্ধিমত্তা প্ৰয়োগৰ সম্ভাৱনা নস্যাৎ কৰে।

- ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ উচ্চায়ুক্ত মিচেল বেচলেটে ভাৰতৰ সংশোধিত নাগৰিকত্ব আইন, ২০১৯ বৈষম্যমূলক তথা বৰ্ণবাদী বুলি ঘোষণা কৰে।

১৫ **ডিছেম্বৰ :** মুম্বাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় জৈৱিক কৃষি প্ৰদৰ্শনীত অসমে প্ৰথম স্থান অধিকাৰ কৰে।

১৬ **ডিছেম্বৰ :** এছলে বাৰ্টী (মহিলা) আৰু ৰাফেল নাডালে (পুৰুষ) ২০১৯ চনৰ ইণ্টাৰনেশ্বনেল টেনিছ ফেডাৰেশ্বনৰ (আই টি এফ) বিশ্ব চেম্পিয়নৰ সন্মান লাভ কৰে।

১৭ **ডিছেম্বৰ :** পাকিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি পাৰভেজ মুশ্বাৰফক দেশখনৰ এখন বিশেষ আদালতে মৃত্যুদণ্ডৰ ৰায় প্ৰদান কৰে।

১৮ **ডিছেম্বৰ :** ১০ জানুৱাৰীৰ পৰা 'খেলো ইণ্ডিয়া-২০২০' গুৱাহাটীত অনুষ্ঠিত হ'ব বুলি ভাৰত চৰকাৰে ঘোষণা কৰে।

২০ **ডিছেম্বৰ :** ক্ষমতাৰ অপব্যৱহাৰৰ বাবে আমেৰিকা যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ বিৰুদ্ধে মহাভিযোগ প্ৰস্তাৱ গৃহীত হয়।

- মহাত্মা গান্ধীৰ সোঁৱৰণত পৰ্তুগাল চৰকাৰে 'গান্ধী চিটিজেনশ্বিপ এডুকেচন বঁটা' প্ৰৱৰ্তন কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# অকণিৰ পুথি পৰিচয়

**মৰুৰা ফুল :** শিশুবোৰে ছন্দ মিলাই লিখা সৰু সৰু পদ্যবোৰ পঢ়ি বৰ ভাল পায়। নিচুকণি গীতবোৰে শিশু মনক আমোদ দিয়ে,একেদৰে চৰাই,গছ-লতিকা,ভগৱান আদি বিচিত্ৰ বিষয়বোৰেও কৌতূহলী শিশুসকলক আনন্দৰ খোৰাক যোগায়। শিশুৰ মনৰ চাহিদা পূৰণ কৰিব পৰাকৈ শিশু কবিতাৰ এটি বাছকবনীয়া সংকলন হ'ল 'মৰুৰা ফুল'। এই গ্ৰন্থখনি সম্পাদনা কৰিছে এখুদ ককাইদেউ নামেৰে পৰিচিত নৰকান্ত বৰুৱাই। 'অ' ফুল অ' ফুল নুফুলনো কিয়?' আদিৰ দৰে মুখে মুখে চলি অহা পদ্যৰ পৰা আৰম্ভ কৰি এই সংকলনখনত মুঠ এশ পঁচানবৈটা কবিতা সন্নিৱিষ্ট কৰা হৈছে। এই কবিতাসমূহ 'ঘুমটি যায়োৰে', 'শিশু পাৰিজাত', 'জ্ঞানৰ সঁফুৰা', 'তেওঁৰে কৰুণাকণা', 'আই মোৰ', 'বিনন্দীয়া পৃথিৱী', 'আমাৰ ঘৰ আমাৰ মানুহ', 'বিহুৰ বতৰ', 'সাধু আৰু কথা', 'দেও ল'ৰা দেও ছোৱালী', 'লগে ভাগে আওৰাও', 'বাংকৰা, কত যে কি', 'কিমান সপোন'—এই কেইটা শিতানত সজাই লোৱা হৈছে। এই কবিতাসমূহে শিশুসকলৰ উপৰি জ্যেষ্ঠসকলৰো মন আপ্লুত কৰে। আবৃত্তিযোগ্য অনেক কবিতা সংকলনখনত সন্নিবিষ্ট হৈছে। 'মৰুৰা ফুল'ৰ এটা সুন্দৰ কবিতাৰ কেইটামান শাৰী এনেধৰণৰ —

কোনে মোক তুলি-তালি কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে পাহৰি ভাগৰ,
কৰিছিল স্নেহ মোক দুগালত চুমা খাই
—তেৰেঁ মোৰ পূজনীয় মৰমৰ আই।
(মৰমৰ আই, আনন্দচন্দ্ৰ আগৰৱালা)




অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা এই কিতাপখনৰ মূল্য ১৪০ টকা। ❖

**ৰিবৰিব মুনমীহঁতৰ শেষ নোহোৱা কাহিনী :** তোমালোকৰ ঘৰত বাৰু ভাইটি-ভণ্টি আছেনে? যদি আছে সিঁহতে বাৰু তোমালোকক মাজে মাজে বৰ দিগদাৰ নিদিয়েনে? তুমি কৰিব খোজা কামটোকে সিহঁতকো কৰিবলৈ লাগে, তুমি ভাল পোৱা খোৱা বস্তুটো সিহঁতকো খাবলৈ লাগে!—বৰ অশান্তি নহয়নে! তথাপিতো উপায় নাই, নহয়জানো! তোমালোকৰ নিচিনা এনেবোৰ সমস্যা আৰু বহুতৰে আছে। তেনেকুৱা সমস্যা কিছুমানৰ ৰসাল কাহিনী আছে 'ৰিবৰিব মুনমীহঁতৰ শেষ নোহোৱা কাহিনী' নামৰ কিতাপখনত। ৰিবৰিব,বিববিব,মুনমী আৰু পুটপুট—এই চাৰিজনী বাই-ভনীৰ প্ৰতিদিনৰ যুঁজ(!) আৰু অনেক কৰ্ম-কাণ্ডৰ মজাৰ কাহিনী আছে কিতাপখনত। কিতাপখন পঢ়িলে তোমালোকে মুনমীয়ে জুনুকাহঁতৰ ঘৰত কি নকৰিবলগীয়া কাম কৰিলে,তাইৰ 'ছিক্ৰেট' কথাটোনো কি? ৰিবৰিবহঁতৰ লটাৰীখেলত কি হ'ল, মুনমীয়ে কাক 'পতিশোধ' ল'লে আদি বহুত কথা জানিব পাৰিবা। কিতাপখন লিখিছে মৃণাল কলিতাই। প্ৰকাশ কৰিছে বান্ধৱ প্ৰকাশনে। দাম ১০০ টকা। ❖



# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা


আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ চৰাই

**মৌখাপ :** ইংৰাজী নাম : Shikara,
বৈজ্ঞানিক নাম : *Accipiter badius poliopses*

মৌখাপ এবিধ চিকাৰী চৰাই। ইহঁতৰ দৈৰ্ঘ্য ৩০-৩৬ ছেমি.। মূৰ আৰু পিঠিৰ উপৰিভাগ ছাইবৰণীয়া। বুকুৰ পাখিৰ বৰণ ফুটফুটীয়া ৰঙা-বগা। ইহঁতে খুব ক্ষিপ্ৰতাৰে উৰিব পাৰে। সাধাৰণতে পাতলীয়া হাবি-বননিত পোৱা এইবিধ চৰায়ে বেছিভাগ সময়ত অকলেই ঘূৰি ফুৰে। বসন্ত অহাৰ লগে লগে মৌখাপ চৰাইৰ প্ৰজনন আৰম্ভ হয়। ঘাঁহ-বন, খেৰ আদি গোটাই লৈ ইহঁতে এই সময়তে গছৰ ডালত বাহ সাজে। সেই বাহতে মাইকী চৰাইজনীয়ে কণী পাৰি, উমনি দি পোৱালি জগায়। ইহঁতৰ প্ৰধান আহাৰ হৈছে মৌ, ফৰিং, জেঠী, নিগনি, ভেকুলী, সাপ আদি। প্ৰয়োজনত ইহঁতে সৰু-সুৰা চৰায়ো চিকাৰ কৰি খায়। ❖

**পাতি কাউৰী :** ইংৰাজী নাম : Common House Crow,
বৈজ্ঞানিক নাম : *Corvus splendens*



পাতি কাউৰী এবিধ মজলীয়া আকাৰৰ চৰাই। প্ৰায় ৪০ ছেণ্টিমিটাৰ দৈৰ্ঘ্যৰ এই চৰাইবিধৰ গাৰ বৰণ কিচকিচীয়া ক'লা। ঠোঁট আৰু ভৰিৰ ৰঙো ক'লা। ডিঙি পাতল মটীয়া। ইহঁতে ক'ৰবাত আহাৰৰ সন্ধান পালে জাক পাতি পৰেহি। বিশেষকৈ কোনো ঠাইত বিয়া-সবাহ বা ভোজ হোৱাৰ উমান পালে এমখা কাউৰী আহি জুম পাতেহি। বসন্তকাল হৈছে ইহঁতৰ প্ৰজননৰ সময়। আম, জামু, নাৰিকল আদি গছত ইহঁতে বাহ সাজে আৰু সেই বাহতে মাইকী চৰাইজনীয়ে ২-৪টা কণী পাৰি উমনি দি পোৱালি জগায়। ব্ৰহ্মপুৰাতে কা কা কৰি হালোৱা-কৃষকৰ টোপনি ভঙা বাবে পাতি কাউৰী চৰাইক চহা লোকৰ এলাৰ্ম ক্লক বুলিও কোৱা হয়। ❖

*উৎস : অসমৰ চৰাই-চিৰিকতি—অৰ্পণ দত্ত*

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## অসমীয়া খণ্ড-বাক্য

**জাকত জিলিকা (চকুত লগা) :** পঢ়াই-শুনাই, আচাৰে-ব্যৱহাৰে ৰীমা গাঁওখনৰ ভিতৰতে জাকত জিলিকা ছোৱালী।

**ছাল বাকলি নোহোৱা (সম্বল নোহোৱা) :** এইবাৰ বানপানীয়ে সকলো কাঢ়ি নি বিমলহঁতৰ ছাল বাকলি নোহোৱা কৰিলে।

**জধা মূৰ্খ (মহা মূৰ্খ) :** তাৰ নিচিনা জধামূৰ্খ মানুহ মই অন্য কাকো দেখা নাই।

**জয় জয় ময় ময় (ভাল অৱস্থা) :** ব্যৱসায়টোত হাত দিয়াৰ পিছৰ পৰা ৰাজুৰ জয় জয় ময় ময় অৱস্থা।


**এলাই বাদু (কোনো কামৰ নোহোৱা) :** তাৰ নিচিনা এলাইবাদু ল'ৰাটোক মই নিজৰ ঘৰত ৰাখিব নোৱাৰো দেই।

**পেঁপুৱা লাগ (বিবুদ্ধি হোৱা) :** সন্মুখত বাঘটো দেখি ল'ৰাটো ভয়তে পেঁপুৱা লাগিল।

**দূৰতে বিদূৰ (নিলগতে আঁতৰ হোৱা) :** হৰেনৰ অৱস্থা দেখি ৰমেন দূৰতে বিদূৰ হ'ল।

**ধোদৰ পচলা (এলেহুৱা, সোৰোপা) :** মাণিক দেখাত শক্তিশালী হ'লেও একেবাৰে ধোদৰ পচলা। ❖

## তলৰ ছবি দুখন চিনাক্ত কৰাঁ।





# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## কি, ক'ত, কিয় বিখ্যাত?

### সাম্ৰাজ্য নগৰ



আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটাইতকৈ বেছি প্ৰভাৱশালী তথা বৃহত্তম চহৰ নিউয়ৰ্কক সাম্ৰাজ্য নগৰ হিচাপে অভিহিত কৰা হয়। জনবহুল এই নগৰখন সকলো দিশৰ পৰা সম্পদশালী চহৰ। বৰ্তমান এই নিউয়ৰ্ক চহৰখন বিশ্বৰ বাণিজ্যিক, অৰ্থনৈতিক, সাংস্কৃতিক তথা শৈক্ষিক ক্ষেত্ৰৰ কেন্দ্ৰস্থল স্বৰূপ। ❖




### সহস্ৰ হ্ৰদৰ দেশ

ইউৰোপ মহাদেশৰ উত্তৰে অৱস্থিত ফিনলেণ্ড ৰাষ্ট্ৰখনক সহস্ৰ হ্ৰদৰ দেশ বুলি জনা যায়। ৰাষ্ট্ৰখনত ১,৮৭,৮৮৮টাতকৈ অধিক সৰু-ডাঙৰ হ্ৰদ আছে। ৰাষ্ট্ৰখনৰ ১০% ভূমি হ্ৰদেৰে আবৰি আছে। সেয়েহে এই ৰাষ্ট্ৰখনক সহস্ৰ হ্ৰদৰ দেশ বুলি অভিহিত কৰা হয়। ❖

### অক্ট'পাছৰ কলিজা

অক্ট'পাছ আৰু স্কুইডৰ দৰে প্ৰাণীসমূহৰ তিনিটাকৈ কলিজা থাকে। এটা কলিজাই তেজ শৰীৰৰ বিভিন্ন অংগলৈ প্ৰেৰণ কৰে আৰু আন দুটা কলিজাই তেজ ফুলবোৰৰ মাজেৰে প্ৰেৰণ কৰে। তাত তেজে পানীৰ পৰা অক্সিজেন গ্ৰহণ কৰে যদিও এই প্ৰাণীসমূহৰ এটাতকৈ বেছি কলিজা থাকে, তাৰে মাত্ৰ এটা কলিজাইহে মুখ্য কলিজা হিচাপে কাম কৰে। ❖



# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| অশ্বশালা/আস্তাবল | : stable | ডাঠ আকাশী নীলা | : azure |
| কুকুৰৰ চোং | : kennel | ডাঠ ৰঙা | : crimson |
| অট্টালিকা | : mansion | গেৰুৱা | : saffron |
| ৰাজকাৰেং | : palace | মটীয়া | : grey |
| গোহালি | : cowshed | বেঙুনীয়া | : purple, violet |
| গড়াল | : stockyard | মুগা | : brown |
| পিঞ্জৰা | : cage | হালধীয়া | : yellow |
| চালিঘৰ | : shed | ডাঠ হালধীয়া | : amber |
| জুপুৰি | : cottage | সোণালী | : golden |
| তম্বু | : tent | ঘন নীলা | : indigo |
| গুহা/গহ্বৰ | : cave | কমলা | : orange |
| উদ্যানগৃহ | : arbour | গুলপীয়া | : pink |
| পাম ঘৰ | : farm-house | ৰূপালী | : silver |
| বঙলা | : bunglow | সেউজীয়া | : green |
| পকীঘৰ | : brick house | ৰঙা | : red ❖ |

# মোজাৰ আৱিষ্কাৰ



মোজাৰ কথা ক'বলৈ ল'লে জোতাৰ কথাও আহি পৰে। শীতৰ প্ৰকোপৰ পৰা পৰিত্ৰাণ পাবৰ বাবে জোতা আৰু মোজাৰ বিকল্প নাই। লক্ষ্যণীয় যে জোতা আৰু মোজাৰ আৱিষ্কাৰ মানৱ সভ্যতাৰ একেবাৰে আৰম্ভণিতেই হৈছিল।

মানুহে যেতিয়া পশুৰ ছালেৰে শৰীৰৰ আৱৰণ প্ৰস্তুত কৰি পৰিধান কৰিবলৈ লৈছিল, সেই তেতিয়াই ভৰিৰ পতা বিশেষভাৱে পশুৰ ছালেৰে ঢাকি লৈছিল। তেওঁলোকে বুজি উঠিছিল যে ভৰিৰ পতা দুখন ঢাকি ল'লে প্ৰচণ্ড শীতৰ পৰাও পৰিত্ৰাণ পাব পাৰি। সেই সময়ত মানুহৰ মাজত জোতা আৰু মোজাৰ প্ৰভেদ একেবাৰেই নাছিল।


মানুহে যেতিয়াৰ পৰা গুহাত বাস কৰিবলৈ এৰি হাবিয়ে-বননিয়ে ঘূৰি ফুৰিবলৈ ল'লে, তেতিয়াই ভৰি দুটাক আঘাতৰ পৰা বচোৱাৰ পৰিকল্পনা কৰিছিল। কিন্তু ভৰিত পিন্ধিবলৈ ব্যৱহাৰ কৰা সেই সামগ্ৰী আৰু আজিৰ জোতাৰ মাজত বহুত ব্যৱধান। জোতাৰ লগত মোজাৰ ব্যৱহাৰ প্ৰথম ফ্ৰান্সত প্ৰচলিত হয়। সেই মোজা পশুৰ চামৰাৰে তৈয়াৰ কৰা হৈছিল।

ফ্ৰান্সৰ পিছতেই অন্যান্য পশ্চিমীয়া দেশসমূহেও মোজাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিবলৈ ল'লে। মোজাৰ চাহিদা বৃদ্ধি পোৱাৰ লগে লগে মোজাক আকৰ্ষণীয় কৰি তুলিবলৈ প্ৰচেষ্টা চলিল। শীতকালত পিন্ধাৰ উপৰি অন্যান্য সময়ত পিন্ধিবলৈও মোজাক সুন্দৰ আৰু সুৰুচিসম্পন্ন কৰি তোলা হ'ল। তদুপৰি অভিজাত ব্যক্তিসকলে মোজাৰ ওপৰত সৰু আৰু পাতলকৈ সোণৰ পটি লগাই লৈছিল। পৰৱৰ্তী সময়ত পশুৰ ছালৰ পৰিৱৰ্তে ভেলভেট, সূতা, পচমিনা, ছিল্ক আদিৰ মোজা ব্যৱহৃত হ'বলৈ ধৰিলে। মোজাৰ ব্যৱসায়িক উৎপাদনো আৰম্ভ হ'ল।

ইংলেণ্ডৰ ৰাণী প্ৰথম এলিজাবেথৰ দিনত হাতেৰে তৈয়াৰী মোজা বৰ জনপ্ৰিয় হৈ পৰে। কথিত আছে যে ৰাণী প্ৰথম এলিজাবেথক কোনো ব্যক্তিয়ে ছিল্কৰ হাতেৰে তৈয়াৰী এযোৰ মোজা উপহাৰ দিছিল। মোজাযোৰ ৰাণীৰ পছন্দ হোৱাত তেওঁ কেৱল হাতেৰে তৈয়াৰী মোজাকেই পৰিধান কৰিবলৈ ল'লে। ৰাণীক অনুকৰণ কৰি ইংলেণ্ডৰ অভিজাত সম্প্ৰদায়ৰ ব্যক্তিসকলেও হাতেৰে তৈয়াৰী ছিল্কৰ মোজা ব্যৱহাৰ কৰিবলৈ ল'লে। ইয়াৰ পিছত বিংশ শতিকাৰ মাজভাগৰ পৰা মোজা মানুহৰ পোছাক-পৰিচ্ছদৰ অংশ এৰাব নোৱৰা হৈ পৰিল। ❖

# ৰাইট ভ্ৰাতৃদ্বয়

**■ কল্যাণী পাটগিৰি**



আধুনিক আকাশীযানৰ বাটকটীয়া উইলবাৰ ৰাইট আৰু অৰভিল ৰাইট বাস কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ অহিঅ' প্ৰদেশৰ ডেটন নগৰত। মিল্টন ৰাইট আৰু চুচান কেথেৰিন ক'ৰ্ণাৰ ৰাইটৰ দুই পুত্ৰ ক্ৰমে উইলবাৰ (১৮৬৭-১৯১২) আৰু অৰভিল (১৮৭১-১৯৪৮) দৰাচলতে দুজন চাইকেল নিৰ্মাতা আছিল।

পেছাত খ্ৰীষ্টান ধৰ্মযাজক মিল্টন ৰাইটে সঘনাই বিভিন্ন ঠাই ভ্ৰমণ কৰিবলগীয়া হৈছিল। এবাৰ ভ্ৰমণৰ পৰা ঘূৰি আহোঁতে তেওঁ দুই ভাইৰ কাৰণে এখন হেলিকপ্টাৰ আনিছিল। বাঁহ, কাগজ, কুহিলা আৰু ৰাবাৰেৰে বনোৱা হেলিকপ্টাৰখন ভাঙি নোযোৱা পৰ্যন্ত দুই ভ্ৰাতৃয়ে খেলিছিল আৰু পিছত অবিকল হেলিকপ্টাৰ এখন নিজেও সাজি উলিয়াইছিল। ইয়াৰ পৰাই তেওঁলোকৰ আকাশীযান নিৰ্মাণ কৰি উলিওৱাৰ হেঁপাহ জাগিছিল।

১৮৯২ চনত দুই ভ্ৰাতৃয়ে চাইকেলৰ ব্যৱসায় আৰম্ভ কৰিছিল। চিলা উৰুৱাই ভাল পোৱা উইলবাৰ আৰু অৰভিল ৰাইটৰ ব্যৱসায়ত হোৱা লাভে আকাশীযানৰ বিভিন্ন পৰীক্ষা কৰাৰ ক্ষেত্ৰত বাট মোকলাই দিছিল।

সেই সময়ত আকাশীযান নিৰ্মাণ সম্পৰ্কীয় তিনিটা উল্লেখযোগ্য ঘটনা ঘটিছিল। চেমুৱেল লেংলে (Samuel Langley) নামৰ লোকজনে এখন ভাপত চলা মানৱবিহীন বিমান চলাই দেখুৱাইছিল। আনহাতে বছৰটোৰ মাজভাগত অভিযন্তা অক্টেভ চেনুটে (Octave Chanute) কেইজনমান মানুহৰ দ্বাৰা বিভিন্ন ধৰণৰ গ্লাইডাৰৰ (ইঞ্জিনবিহীন বিমান) উৰণৰ পৰীক্ষা কৰাইছিল। কিন্তু আগষ্ট মাহত জাৰ্মান আকাশীযানৰ পথিকৃত অট' লিলিয়েনথেলে (Otto Lilienthal) নিজৰ গ্লাইডাৰতে মৃত্যুবৰণ কৰা ঘটনাৰ পিছত ৰাইট ভ্ৰাতৃদ্বয়ে নিজৰ বিমান বনোৱা কামত উঠি পৰি লাগিছিল।

আকাশীযান তৈয়াৰ কৰাৰ প্ৰথম পদক্ষেপ হিচাপে ৰাইট ভ্ৰাতৃদ্বয়ে এখন গ্লাইডাৰ (ইঞ্জিনবিহীন যান) সজাৰ চিন্তা কৰিছিল। অট' লিলিয়েনথেলে নিজৰ গ্লাইডাৰ পৰীক্ষণৰ সময়ত মৃত্যুবৰণ কৰিছিল যদিও ৰাইট ভ্ৰাতৃদ্বয়ে লিলিয়েনথেলৰ আৰ্হিকেই অনুসৰণ কৰি গ্লাইডাৰ তৈয়াৰ কৰাৰ কাম আৰম্ভ কৰিছিল। কিন্তু তেনেকুৱা সময়তে ব্ৰিটিছ বৈমানিক পেৰচী পিলচাৰ (Percy Pilcher) আকৌ এটা গ্লাইডাৰ দুৰ্ঘটনাত মৃত্যুবৰণ কৰাত ৰাইড ভ্ৰাতৃদ্বয়ে তেওঁলোকৰ আৰ্হি সলনি কৰাৰ কথা ভাবিবলৈ বাধ্য হৈছিল। ৰাইট ভ্ৰাতৃদ্বয়ে শৰীৰৰ ওজনৰ সহায়ত গ্লাইডাৰৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ পূৰ্বৰ পদ্ধতিটোৰ ওপৰত সন্তুষ্ট নাছিল আৰু তাৰ এটা বিকল্পৰ সন্ধান কৰিছিল। উৰন্ত চৰাইৰ গতিপথ সলনি কৰাৰ কৌশল আৰু চাইকেল নিৰ্মাণত থকা তেওঁলোকৰ অভিজ্ঞতাৰ সহায়ত সেই অসুবিধাটো দূৰ কৰিছিল আৰু তেওঁলোকৰ গ্লাইডাৰখন অধিক নিৰাপদ তথা নিয়ন্ত্ৰণক্ষম কৰি তুলিছিল।

বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষাৰ অন্তত তেওঁলোকে নিৰ্মাণ কৰা গ্লাইডাৰখন ১৯০২ চনৰ ছেপ্টেম্বৰ-অক্ট'বৰ মাহত কিল ডেভিলছ হিল (Kill Devil Hills) নামৰ ঠাইখনত বহুলভাৱে পৰীক্ষা কৰিছিল, য'ত ৰাইট ভ্ৰাতৃদ্বয়ে ৭০০ৰ পৰা ১০০০ বাৰ

## বিজ্ঞান বাৰ্তা

উৰণ সম্পূৰ্ণ কৰিছিল আৰু সৰ্বাধিক ২ ছেকেণ্ড সময় উৰন্ত অৱস্থাত আছিল।

ইয়াৰ পিছত তেওঁলোকে তেওঁলোকৰ চাইকেল ফেক্ট'ৰীত কাম কৰা যন্ত্ৰচালক চাৰ্লচ টেইলৰ (Charles Taylor) সহায়ত ৪টা চিলিণ্ডাৰযুক্ত ইঞ্জিন এটা তৈয়াৰ কৰি উলিয়াইছিল আৰু গ্লাইডাৰত সংযোগ কৰিছিল। তাৰ পিছত তেওঁলোকে ১৯০৩ চনৰ ছেপ্টেম্বৰ মাহত কিল ডেভিল হিলত আকৌ উপস্থিত হৈ ৭ সপ্তাহ সময় ইঞ্জিনযুক্ত আকাশীযানখনৰ বিভিন্ন ধৰণৰ পৰীক্ষা আৰু মেৰামতিৰ কাম কৰিছিল। ১৯০৩ চনৰে ১৪ ডিছেম্বৰৰ দিনা উইলবাৰ ৰাইটে ইঞ্জিনযুক্ত আকাশীযানৰ উৰণৰ প্ৰথম প্ৰয়াস কৰিছিল। কিন্তু ইঞ্জিনৰ আগভাগত হোৱা বিজুতিৰ কাৰণে সেই উৰণ সফল নহ'ল। পুনৰ তিনিদিনৰ ভিতৰত মেৰামতি সম্পূৰ্ণ কৰি ১৯০৩ চনৰে ১৭ ডিছেম্বৰৰ ৰাতিপুৱা ১০ বাজি ৩৫ মিনিটত প্ৰথম প্ৰয়াসত সফলভাৱে ১২ ছেকেণ্ডত ১২০ ফুট আৰু দ্বিতীয় প্ৰয়াসত ১৫ ছেকেণ্ডত ২০০ ফুট অতিক্ৰম কৰিছিল। একেদৰে সেইদিনাই উইলবাৰ ৰাইটেও প্ৰথম প্ৰয়াসত ১২ ছেকেণ্ড ১৭৫ ফুট আৰু দ্বিতীয় প্ৰয়াসত ৫৯ ছেকেণ্ডত ৮৫২ ফুট অতিক্ৰম কৰিছিল। সেই ঐতিহাসিক মুহূৰ্তটো প্ৰত্যক্ষ কৰিছিল ৫ জন স্থানীয় নাগৰিকে। সম্পূৰ্ণভাৱে চালকৰ দ্বাৰা নিয়ন্ত্ৰিত ইঞ্জিনযুক্ত এখন আকাশীযান উৰুৱাই ৰাইট ভ্ৰাতৃদ্বয়ে সেইদিনা সমগ্ৰ পৃথিৱীখনকে চমক খুৱাইছিল আৰু আকাশীপথ আৰু আকাশীযানৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছিল। ❖

## বিভিন্ন দেশৰ স্বাধীনতা সংগ্ৰাম

# কিউবা বিপ্লৱ

**■ সুদীপ্তা চৌধুৰী**





কিউবা পশ্চিম ভাৰতীয় দ্বীপপুঞ্জৰ বৃহত্তম দ্বীপ ৰাষ্ট্ৰ। বহুতো সৰু সৰু দ্বীপ লগ লাগি কিউবা ৰাষ্ট্ৰখন গঠন হৈছে। কিউবা উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ মধ্যভাগত অৱস্থিত। কিউবাৰ ৰাজধানী হৈছে হাভানা। ই কিউবাৰ আটাইতকৈ ডাঙৰ চহৰ। কিউবাক 'ছুগাৰ বাউল অফ দি ৱৰ্ল্ড' (Sugar bowl of the World) বুলি কোৱা হয়। কাৰণ ইয়াত প্ৰচুৰ পৰিমাণে চেনি উৎপাদন হয়। কিউবাৰ অৰ্থনীতি ইয়াৰ ওপৰত নিৰ্ভৰশীল। চেণ্টাক্লেৰা হৈছে ইয়াৰ মুখ্য চহৰ।

কিউবা আছিল ব্ৰিটিছসকলৰ এখন উপনিৱেশ। ইংৰাজসকলৰ বিৰুদ্ধে কিউবাত ১৯ শতিকাৰ শেষৰ ফালে প্ৰবল জনমত গঢ়ি উঠে। সেই সময়ত ইংৰাজসকলে ইংৰাজী ভাষাটো কিউবাৰ জনসাধাৰণৰ ওপৰত জাপি দিব খুজিছিল। আনহাতে কিউবাৰ লোকসকলে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁলোকে মাতৃভাষাৰ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে জানিছিল গোলামি এৰিবলৈ হ'লে প্ৰথমে ভাষাৰ গোলামি এৰিব লাগিব। 'কিউবিক' ভাষাৰ প্ৰচাৰ আৰম্ভ হ'ল। ঘৰৰ নাম, মানুহৰ নাম, পথৰ নাম আদি সকলোবোৰ কিউবিক ভাষাত দিবলৈ আৰম্ভ কৰা হ'ল। তাৰ পিছত তেওঁলোকে সংকল্প ল'লে ইংৰাজী বস্তু বৰ্জন কৰাৰ। তেওঁলোকে সম্পূৰ্ণভাৱে




ইংলেণ্ডত নিৰ্মিত, উৎপাদিত বস্তু বৰ্জন কৰিছিল। কিউবাত নিৰ্মিত বস্তুহে কিনিছিল। এনেদৰে কিউবাত স্বদেশী আন্দোলন আৰম্ভ হ'ল আৰু ১৯০৩ চনত গোটেই কিউবাতে ইংলেণ্ডত উৎপাদিত বস্তুৰ কিনা-বেচা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিল। কিউবাত স্বদেশী আন্দোলন সফল হোৱাত সুযোগ বুজি আমেৰিকাই কিউবাক সহায় কৰিবলৈ আগবাঢ়ি আহিল। তেওঁলোকৰ লক্ষ্য আছিল কিউবাক নিজৰ অধীনলৈ অনা। আমেৰিকাই কিউবাৰ সমৰ্থনত ইংলেণ্ডৰ বিৰুদ্ধে যুঁজিবলৈ আৰম্ভ কৰে। আমেৰিকাই কিউবাক টকা-পইছা, সেনা আদি যোগান ধৰি সকলো প্ৰকাৰে সহায় কৰিবলৈ আৰম্ভ কৰিলে। কিউবাৰ সেনা আৰু আমেৰিকাৰ সেনা মিলি ইংৰাজক খেদি পঠিয়াবলৈ সক্ষম হ'ল। কিন্তু দুৰ্ভাগ্যৰ কথা এয়ে যে কিউবা ইংৰাজৰ কবলৰপৰা মুক্ত হৈ আমেৰিকাৰ অধীন হৈ পৰিল। তেতিয়া কিউবাৰ জনসাধাৰণে বুজি পালে আমেৰিকাই ইমানদিনে কিউবাক কিয় সহায় কৰি আছিল। লাহে লাহে কিউবাৰ বজাৰ আমেৰিকাৰ বস্তুৰে ভৰি পৰিল। আমেৰিকাই কিউবাৰ গোটেই ভূ-সম্পত্তি জব্দ কৰি নিজৰ অধীনলৈ লৈ আহিল।

বহু বছৰ এনেদৰে পৰাধীন হৈ থাকি শেষত কিউবাৰ জনসাধাৰণে সংকল্প লৈ আমেৰিকাৰ বিপক্ষে থিয় দিলে। আমেৰিকাৰ কোম্পানী, আমেৰিকাত নিৰ্মিত বস্তু সম্পূৰ্ণৰূপে বৰ্জন কৰিলে।

কিউবাক সম্পূৰ্ণকৈ নিজা শাসনৰ অধীনলৈ আনিছিল ১৯৫৮ চনত ফিডেল কাষ্ট্ৰ' (Fidel Castro) আৰু চে গুৱেভাৰাৰ (Che Guevare) নেতৃত্বাধীন সেনা বাহিনীয়ে। গুৱেভাৰা হৈছে কিউবা বিপ্লৱৰ এজন সক্ৰিয় নেতা। তেওঁলোকৰ নেতৃত্বত কিউবাত যি আন্দোলন হ'ল, সেই আন্দোলন দেখি কিউবাৰ ৰাষ্ট্ৰপতি বাৰ্টিষ্টা (১৯৫৪ চনত বাটিষ্টা কিউবাৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল) দেশ এৰি পলায়ন কৰিলে। বাটিষ্টা যদিও কিউবাৰ ৰাষ্ট্ৰপতি আছিল, তথাপি তেওঁ আমেৰিকাকহে সমৰ্থন কৰিছিল। ১৯৫৫ চনত কাষ্ট্ৰ' আৰু গুৱেভাৰা মিলিত হয়। কিউবা যদিও নামত এখন দেশ আছিল তাত কিন্তু আমেৰিকাৰ সংস্কৃতি, আচাৰ-আচৰণ আদিহে চলিছিল। পৰোক্ষভাৱে হ'লেও শাসনৰ বাঘজৰী আছিল আমেৰিকাৰ হাতত। কিউবাৰ জনসাধাৰণৰ নিজস্বতা নোহোৱা হৈ গৈছিল। লাহে লাহে দেশখনত পানীৰ সমস্যা, নিবনুৱা সমস্যা আদিয়ে গা কৰি উঠিছিল। ফিডেল কাষ্ট্ৰ' আৰু চে গুৱেভাৰাই এইবোৰ দেখি বুজি পাইছিল যে কিউবা আনৰ অধীন হ'বলৈ গৈ আছে আৰু এইবোৰ দেখি তেওঁলোকে মাত মাতিছিল। ১৯৫৮ চনত কিউবাৰ জনসাধাৰণে এই সকলোবোৰ দেখি বাটিষ্টা চৰকাৰৰ বিপক্ষে থিয় দিলে। হাভানাৰপৰা হাজাৰ হাজাৰ মানুহ আহি ফিডেল কাষ্ট্ৰ' আৰু চে গুৱেভাৰাৰ লগ লাগে। বাটিষ্টা। চৰকাৰৰ বিৰুদ্ধে জনসাধাৰণে বিদ্ৰোহ ঘোষণা কৰে। ১৯৫৮ চনত চে গুৱেভাৰাই চেণ্টাক্লাৰা আক্ৰমণ কৰে আৰু বৃহৎ সফলতা লাভ কৰে। এই সময়খিনিতে কাষ্ট্ৰ' আৰু গুৱেভাৰাক ৰাছিয়াই সহযোগ কৰে।

লাহে লাহে আমেৰিকাই অস্ত্ৰ-শস্ত্ৰ পঠোৱা বন্ধ কৰি দিছিল আৰু অৰ্থনৈতিকভাৱেও কিউবাক সহায় কৰা বন্ধ কৰি দিছিল। বাটিষ্টাই এই দেখি আত্মবিশ্বাস হেৰুৱাই পেলাইছিল আৰু ১৯৫৯ চনত কিউবা এৰি গুচি গৈছিল। ১৯৫৯ চনত ফিডেল কাষ্ট্ৰ'ই কিউবাৰ দায়িত্ব লয়। পিছত কাষ্ট্ৰ'ই ১৯৫৯-৭৬ চনলৈ প্ৰধানমন্ত্ৰী আৰু ১৯৭৬-২০০৮ চনলৈ কিউবাৰ ৰাষ্ট্ৰপতি পদত কাৰ্য্যনিৰ্বাহ কৰে। সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী গুৱেভাৰাৰ বিৰুদ্ধে বহু লোকক হত্যা কৰাৰ অভিযোগ আছিল। সেইবাবে কাষ্ট্ৰ'ই ১৯৬৫ চনত গুৱেভাৰাক কিউবা এৰি যাবলৈ নিৰ্দেশ দিছিল। শেষত চি আই এয়ে তেওঁক আটক কৰি হত্যা কৰে। কিন্তু অনস্বীকাৰ্য যে, গুৱেভাৰা নাথাকিলে হয়তো কিউবা বিপ্লৱ সফল নহ'লহেঁতেন আৰু কিউবাই আজিৰ এই পৰ্যায় নাপালেহেঁতেন। ❖

# প্লাষ্টিক

■ ছায়াস্মিতা বৈশ্য



প্লাষ্টিক হ'ল এবিধ বহুযোগী। বহুযোগীবোৰ এক বিশেষ ধৰণৰ পদাৰ্থ। ইয়াৰ অণুবোৰ বৃহৎ। এক বা একাধিক পদাৰ্থৰ অসংখ্য অণু লগ লাগি বহুযোগীৰ এটা অণুৰ সৃষ্টি হয়। কিছুমান প্ৰাকৃতিক পদাৰ্থ যেনে, ছেলুল'জ, কয়লা, প্ৰাকৃতিক গেছ, লৱণ আৰু খনিজ তেল আদিৰ বহুযোগীকৰণৰ ফলত প্লাষ্টিক উৎপন্ন হয়। প্ৰতি বছৰে প্ৰায় ৩০০ মিলিয়ন টন প্লাষ্টিক প্ৰস্তুত কৰা হয়। ইয়াৰে ৫০% প্লাষ্টিকেই হ'ল মাত্ৰ এবাৰ ব্যৱহাৰ কৰিব পৰা প্লাষ্টিক। মাত্ৰ ১০-৩০% প্লাষ্টিকহে পুনৰাৱৰ্তন কৰিব পৰা যায়। এবাৰ ব্যৱহাৰ কৰিব পৰা প্লাষ্টিকবোৰ হ'ল প্লাষ্টিকৰ মোনা, পানীয় খাবলৈ ব্যৱহাৰ কৰা পাইপ, চাহ-কফিৰ কাপ, পানীৰ বটল আৰু বিভিন্ন খোৱাবস্তুৰ পেকেট (চিপছ্, চকলেট) আদি। এনেবোৰ পেলনীয়া প্লাষ্টিকে আমাৰ পৰিৱেশত বিৰূপ প্ৰভাৱ পেলায়। এইবোৰ প্লাষ্টিক জৈৱ অবিভংগনীয় বা জীৱ পচন-অক্ষম পদাৰ্থ। এইবোৰ আৱৰ্জনা সহজে পচি মাটিৰ লগত মিহলি হৈ নাযায় বাবে পৰিবেশৰ যথেষ্ট ক্ষতি সাধন কৰে। প্লাষ্টিকবোৰ পচিবলৈ কেইবাশ বছৰৰো প্ৰয়োজন হয়। প্লাষ্টিকবোৰ মাটি আৰু পানীৰ লগত মিহলি হৈ বাৰুকৈয়ে ক্ষতি কৰে। আনকি পচিলেও ইয়াৰপৰা অত্যন্ত বিষাক্ত ৰাসায়নিক পদাৰ্থ নিৰ্গত হয়।

এবাৰ ব্যৱহৃত প্লাষ্টিকবোৰ লাহে লাহে ভাঙি গৈ সৰু সৰু টুকুৰালৈ ৰূপান্তৰিত হয়। জলজ প্ৰাণীবোৰে এই প্লাষ্টিকৰ টুকুৰাবোৰ খাদ্যৰ লগতে খায় আৰু দেহত বিষাক্ত পদাৰ্থৰ উৎপন্ন হয়। এই জলজ প্ৰাণীবোৰৰ জৰিয়তে আমাৰ দেহতো বিষাক্ত পদাৰ্থবোৰ সোমায়। গৱেষণা মতে এইবোৰে আমাৰ দেহত কেন্সাৰকে আদি কৰি মাৰাত্মক বেমাৰৰ সৃষ্টি কৰে।

এবাৰ ব্যৱহাৰ কৰিব পৰা প্লাষ্টিকে মাটিৰ লগত মিহলি হৈ মাটিৰ গুণাগুণ নষ্ট কৰে। প্লাষ্টিকত থকা বিষাক্ত দ্ৰব্যই মাটিৰ উৰ্বৰা শক্তি কমায়। প্লাষ্টিকৰ টুকুৰাবোৰে মাটিয়ে পানী শুহি লোৱাত বাধা প্ৰদান কৰাৰ বাবে ভূ-জলৰ পৰিমাণৰ হ্ৰাস পায়। ফলত পানীৰ নাটনি হয়। তদুপৰি পেলনীয়া প্লাষ্টিকবোৰ নলা-নৰ্দমা আদিবোৰত জমা হৈ ঠায়ে ঠায়ে কৃত্ৰিম বানপানীৰো সৃষ্টি কৰে। মুঠতে পানী, মাটি, বায়ু সকলোতে প্লাষ্টিকৰ বাবে যথেষ্ট সমস্যাৰ সৃষ্টি হয়। সেয়েহে আমি এবাৰ ব্যৱহাৰ কৰিব পৰা প্লাষ্টিক ব্যৱহাৰৰ পৰিমাণ হ্ৰাস কৰাৰ খুবেই প্ৰয়োজন।

জৈৱ-প্লাষ্টিকৰ (Bio-plastic) ব্যৱহাৰে এবাৰ ব্যৱহৃত প্লাষ্টিকৰ ফলত হোৱা প্ৰদূষণ কিছু হ্ৰাস কৰা পৰিলক্ষিত হৈছে। এনে প্লাষ্টিক পচনশীল। ইতিমধ্যে জৈৱ-প্লাষ্টিক কৃষিবিজ্ঞান, বস্ত্ৰ উদ্যোগ, ঔষধ, বিভিন্ন সামগ্ৰীৰ বাকচ আৰু পেকেজিঙৰ কামত ব্যৱহাৰ কৰা হৈছে। ইতিমধ্যে ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন চহৰত জৈৱ প্লাষ্টিকৰ প্ৰচলন জনপ্ৰিয় হৈ উঠিছে। এই জৈৱ-প্লাষ্টিকবোৰ কৃষিকাৰ্যৰ কিছুমান উপজাত দ্ৰব্যৰ পৰা প্ৰস্তুত কৰা হয়। কিছুমান জৈৱ-প্লাষ্টিক আকৌ প্লাষ্টিকৰ পুনৰাৱৰ্তনৰ সহায়তো উৎপন্ন কৰা হয়। ❖

# চুড'কু

তলৰ আকৃতি দুটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰপৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ১৪৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 6 | | | 4 | | 8 | | 1 | |
| | 8 | | | 7 | | 9 | | 6 |
| 7 | | 5 | | 6 | 3 | | 4 | |
| | 2 | | 7 | | | 3 | 8 | 9 |
| 9 | | 8 | | 3 | 2 | | | |
| | 4 | | 8 | | 9 | | 2 | |
| 1 | | | 2 | | | 6 | | 3 |
| | 3 | 9 | | | 5 | | 7 | |
| | 6 | | 3 | | 7 | | 5 | 4 |

## চুড'কু ১৪৪

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | 3 | | | 2 | 5 | | 7 | |
| 7 | | | 9 | | | 2 | 6 | 1 |
| | 2 | | | 6 | 1 | | | 3 |
| 2 | | 4 | 3 | | | 7 | 8 | |
| | 8 | | | 4 | 6 | | | 2 |
| 3 | | | 2 | | | 4 | 9 | |
| 4 | | 8 | | | 3 | | 2 | 7 |
| | 7 | | 1 | 9 | | 8 | | 4 |
| 5 | | 2 | | 7 | | 6 | | 9 |

## চুড'কু ১৪১ আৰু ১৪২ৰ সমাধান

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 6 | 4 | 1 | 9 | 2 | 5 | 7 | 8 |
| 9 | 7 | 8 | 3 | 4 | 5 | 1 | 6 | 2 |
| 1 | 5 | 2 | 7 | 8 | 6 | 4 | 3 | 9 |
| 8 | 4 | 1 | 2 | 5 | 7 | 6 | 9 | 3 |
| 7 | 9 | 3 | 8 | 6 | 4 | 2 | 5 | 1 |
| 6 | 2 | 5 | 9 | 1 | 3 | 8 | 4 | 7 |
| 5 | 3 | 7 | 4 | 2 | 8 | 9 | 1 | 6 |
| 4 | 8 | 9 | 6 | 3 | 1 | 7 | 2 | 5 |
| 2 | 1 | 6 | 5 | 7 | 9 | 3 | 8 | 4 |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 7 | 1 | 4 | 3 | 2 | 5 | 6 | 9 | 8 |
| 8 | 5 | 9 | 4 | 6 | 1 | 7 | 3 | 2 |
| 2 | 6 | 3 | 9 | 7 | 8 | 4 | 5 | 1 |
| 9 | 3 | 2 | 7 | 1 | 4 | 8 | 6 | 5 |
| 5 | 4 | 6 | 8 | 3 | 9 | 2 | 1 | 7 |
| 1 | 8 | 7 | 6 | 5 | 2 | 3 | 4 | 9 |
| 3 | 2 | 8 | 5 | 9 | 6 | 1 | 7 | 4 |
| 4 | 7 | 5 | 1 | 8 | 3 | 9 | 2 | 6 |
| 6 | 9 | 1 | 2 | 4 | 7 | 5 | 8 | 3 |

# মাঘ মাহ

■ অপর্ণা দেৱী



ব'হাগ, জেঠ, আহাৰ, শাওণ, ভাদ, আহিন, কাতি, আঘোণ, পুহ, মাহ, ফাগুন, চ'ত—অসমীয়া এক কেলেণ্ডাৰ বৰ্ষৰ দহ নম্বৰ মাহটো হৈছে মাঘ মাহ। হিন্দু ধৰ্মৰ লোকসকলে এই মাঘ মাহটো এক পৱিত্ৰ মাহ হিচাপে গণ্য কৰি আহিছে।

সমগ্ৰ মাঘ মাহটোকেই পৱিত্ৰ মাহ হিচাপে গণ্য কৰা হয় যদিও সেই নিৰ্দিষ্ট মাহটোৰ কিছুমান তিথিয়ে বিশেষ তাৎপৰ্য বহন কৰে। তাৰ ভিতৰত মকৰ সংক্ৰান্তি বিশেষভাৱে উল্লেখযোগ্য। আমাৰ ৰাজ্যৰ বাদে আৰু কিছুমান ৰাজ্যত মকৰ সংক্ৰান্তিৰ দিনটি উৎসৱৰ লেখীয়াকৈ পালন কৰা দেখা যায়। সৰহুল, ঔনম, পোংগল, লোহড়ী আদি এনে ধৰণৰ উৎসৱ।

সাধাৰণতে ইংৰাজী জানুৱাৰী মাহৰ মাজভাগৰ পৰা ফেব্ৰুৱাৰী মাহৰ প্ৰায় মাজভাগলৈ অসমীয়া মাঘ মাহ পৰে। মাঘ মাহক পৱিত্ৰ মাহ হিচাপে গণ্য কৰা বাবেই হয়তো বিয়া-সবাহ, গৃহ প্ৰৱেশ, অন্নপ্ৰাসন্ন, উপনয়ন আদি অনুষ্ঠানৰ পয়োভৰ বেছি হয়। অসমৰ জাতীয় উৎসৱ বিহুৰ ভোগালী বিহু মাঘ মাহতে উদ্‌যাপন কৰা হয়। সেই বিশেষ মাহটিত অসমৰ গাঁৱে-ভূঞে এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰে। অসমৰ চহা জীৱনৰ দৈনন্দিন কাম-কাজবোৰতো মাঘ মাহৰ উপস্থিতিৰ উমান পোৱা যায়। পুহমহীয়া জাৰৰ প্ৰকোপ মাঘ মাহত যেন অধিকহে অনুভৱ হয়। সেই সময়ত আকৌ মানুহে নিজেই সান্ত্বনা লয় যে জাৰ গুচি যোৱাৰ আগৰ সময়ছোৱাত জাৰ অলপ বেছিকৈ পৰেই। 'মাঘৰ পণ্টা (পইতাভাত) বাঘৰ বল' বুলি কিছুমান মানুহে বিশ্বাস কৰে।

পৱিত্ৰ মাঘ মাহত গণেশ পূজা, একাদশী, মৌনী অমাৱস্যা, বসন্ত পঞ্চমী, ভীষ্ম একাদশী, ৰথ সপ্তমী, মাঘী পূৰ্ণিমা ইত্যাদি পালন কৰা হয়। মাঘ মাহত পালন কৰা এক উল্লেখযোগ্য তিথি হ'ল গণেশ চতুৰ্থী। কৃষ্ণপক্ষত পালন কৰা একাদশী তিথি উপবাস, প্ৰাৰ্থনা আৰু দানৰ বাবে তাৎপৰ্য্যপূৰ্ণ বুলি বিবেচনা কৰা হয়। বসন্ত পঞ্চমীক শ্ৰীপঞ্চমী নামেৰেও জনা যায়। সেই দিনটো বাগ্‌দেৱীৰ নামত উৎসৰ্গিত। জ্ঞান বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীয়ে অজ্ঞানতা, আন্ধাৰ, অলসতা দূৰ কৰে বুলি বিশ্বাস কৰা হয়। ভীষ্ম একাদশী আকৌ পিতামহ ভীষ্মৰ নামত উৎসৰ্গিত। ভীষ্মই শৰশয্যাত সেই সময়ত শ্ৰীকৃষ্ণৰ উপস্থিতিত স্তোত্ৰ আওৰাইছিল। বিশ্বাস কৰা হয় যে ভীষ্ম একাদশী তিথিত বিষ্ণুৰ সহস্ৰ নাম পাঠ কৰিলে বা শ্ৰৱণ কৰিলে মোক্ষ লাভ হয়। ৰথ সপ্তমী শ্ৰীসূৰ্যৰ নামত উৎসৰ্গিত। মাঘী পূৰ্ণিমাত বিভিন্ন যাগ-যজ্ঞ কৰা হয় যদিও সমগ্ৰ দেশতে পুণ্যৰ বাবে স্নান কাৰ্য সমাপন কৰে।

মাঘ মাহক কেন্দ্ৰ কৰি বিভিন্ন উৎসৱ পালন কৰাৰ লগতে বিভিন্ন মেলাও বহে। বিভিন্ন স্থানত আয়োজিত মাঘী মেলা বহুতো পৰ্যটকৰ বাবে এক আকৰ্ষণীয় মেলা হিচাপে জনাজাত। ❖

# কুইজ

১। সন্মানীয় ৰমন মেগছেছে বঁটা লাভ কৰা ভাৰতৰ একমাত্ৰ মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীক ২০১৯ বৰ্ষতে দেহাৱসান ঘটে। তেওঁ কোন?

২। গুজৰাটৰ এটা মন্দিৰৰ পুৰোহিত মহন্ত ভৰত দাস দৰ্শনদাস। ২০১৯ বৰ্ষত দেহাৱসান ঘটা এইগৰাকী ব্যক্তিৰ বিশেষত্ব কি আছিল?

৩। ২০১৫ চনৰ ২৭ নৱেম্বৰৰ পৰা ১ ডিছেম্বৰলৈ অনুষ্ঠিত টেষ্টখনৰ বিশেষত্ব কি আছিল?

৪। প্ৰতি বছৰে ১২ মে'ত 'আন্তঃৰাষ্ট্ৰীয় নাৰ্ছ দিৱস' পালন কৰা হয়। কি বিশেষ কাৰণত ১২ মে'ত এই দিৱস পালন কৰা হয়?

৫। এলফাবেট ইনক'প'ৰেচনৰ (Alphabet Inc) নতুন মুখ্য কাৰ্য্যবাহী বিষয়াগৰাকী কোন?

৬। আমাৰ দেশৰ ৪৭ সংখ্যক মুখ্য ন্যায়াধীশগৰাকীৰ সম্পূৰ্ণ নামটো কি?

৭। 'Zloty' কোনখন দেশৰ মুদ্ৰা?

৮। ১৮৯০ চনত তেতিয়াৰ বোম্বেত মাহাদেও হাভাজি বাচাচেই কিহৰ আৰম্ভণি কৰিছিল?

৯। ৰিয়ান হাজৰিকাৰ 'এ ব্লাইণ্ড ডগ' ছবিখনৰ বিশেষত্ব কি?

১০। ১৯৮৪ চনৰ ছেপ্টেম্বৰত নেপালৰ কাঠমাণ্ডুত প্ৰথমবাৰ আয়োজিত কোনখন ক্ৰীড়া সমাৰোহৰ মূলমন্ত্ৰ আছিল—'Peace, prosperty and progress?'

১১। অপাৰেছন ফ্লাড (Operation Flood) কিহৰ সৈতে জড়িত?

১২। 'চিত্ৰবন' আৰু 'আন্তৰিক' নামৰ আলোচনী দুখনৰ সম্পাদনা কৰা প্ৰখ্যাত অসমীয়া ব্যক্তিগৰাকী কোন আছিল?

১৩। দি লাইফ ডিভাইন (The Life Divine) কোনগৰাকী প্ৰসিদ্ধ ভাৰতীয়ই লিখা গ্ৰন্থ?

১৪। ২০১৯ চনৰ ৩ ছেপ্টেম্বত GQ 'মেন অব্ দি ইয়েৰ বঁটা' প্ৰদান অনুষ্ঠানত প্ৰথমবাৰৰ বাবে আগবঢ়োৱা 'গেম চেঞ্জাৰ বঁটা' কোনে লাভ কৰিছিল?

১৫। ১৮৬৮ চন মাৰ্কুইট জন শ্বোলটো ডগলাছ নামৰ ব্যক্তিগৰাকীয়ে কোনবিধ খেলৰ নিয়ম নিৰ্ধাৰণ কৰিছিল?

১৬। Absolute Sports Pvt Ltd.এ পৰিচালনা কৰা কোনটো কোম্পানী ২০১০ চনৰ ১০ জুনত প্ৰতিষ্ঠা হৈছিল?

১৭। 'The Morals of Chess' প্ৰবন্ধটো লিখা প্ৰসিদ্ধ ব্যক্তিগৰাকীক ১৯৯৯ চনত US Chess Hall of fameত স্থান দিয়া হৈছিল। তেওঁ কোন?

১৮। কোনটো দিনক 'Good Govermance Day' হিচাপে পালন কৰা হয়?

১৯। 'The Third Pillar' নামৰ গ্ৰন্থখনৰ লেখক কোন?

২০। ভাৰতৰ কোনখন ৰাজ্যই হিন্দীৰ পিছতে সংস্কৃতত দ্বিতীয় ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰিছে? ❖

**■ সংগ্ৰহ : হিৰণ্য কলিতা**

## আচৰিত হ'লেও সত্য

ওস্বাৱা (Oshawa) হৈছে কানাডা (Canada) দেশৰ অণ্টাৰিঅ'ৰ (Ontario) এখন চহৰ য'ত গছ বগোৱাটো দণ্ডনীয়। কৰ্তৃপক্ষৰ মতে তেওঁলোকে চহৰখনৰ নাগৰিকসকলৰ নিৰাপত্তাৰ বিষয়ে গভীৰভাৱে চিন্তা কৰে আৰু সেইবাবে এই আইনখন প্ৰণয়ন কৰা হৈছে।

# বিশ্ব ঐতিহ্য ক্ষেত্ৰ—ভিয়েনা

■ জুলি শইকীয়া



বিশ্বৰ বিভিন্ন সুন্দৰ চহৰবোৰৰ ভিতৰত এখন অতি সুন্দৰ চহৰ হৈছে ভিয়েনা। ভিয়েনা অষ্ট্ৰিয়াৰ ৰাজধানী আৰু ই অষ্ট্ৰিয়াৰ মুখ্য চহৰ। ইয়াৰ মুঠ জনসংখ্যা হৈছে ১৯ লাখ। অষ্ট্ৰিয়াৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশ লোকে ইয়াত বাস কৰে। এই চহৰখন ডানিউব (Danube) নদীৰ পূব পাৰত অৱস্থিত। প্ৰথম বিশ্বযুদ্ধৰ পিছত ভিয়েনা অষ্ট্ৰিয়া গণৰাজ্যৰ ৰাজধানীৰূপে পৰিগণিত হয়।

ভিয়েনা চহৰৰ জলবায়ু হৈছে সামুদ্ৰিক জলবায়ু। জুন মাহৰ পৰা ছেপ্টেম্বৰ মাহলৈকে ইয়াৰ উষ্ণতাৰ পৰিমাণ ২১ ডিগ্ৰি ছেলছিয়াছৰ পৰা ২৭ ডিগ্ৰি ছেলছিয়াছ পৰ্যন্ত হয় আৰু আনহাতে নৱেম্বৰ, ডিছেম্বৰ মাহত ইয়াত বৰফ পৰা দেখা যায়।

ভিয়েনা চহৰখন উদ্যোগ, কৃষি, বাণিজ্য, প্ৰযুক্তি আদি দিশত অতি আগবঢ়া আৰু প্ৰত্যেক বছৰে ইয়াত হাজাৰ হাজাৰ নতুন উদ্যোগ গঢ় লৈ উঠে। ভিয়েনাত বহুতো শিক্ষানুষ্ঠান দেখিবলৈ পোৱা যায়। ইয়াত পাঁচখন অতি উৎকৃষ্টমানৰ বিশ্ববিদ্যালয় আৰু বহুতো গৱেষণা কেন্দ্ৰ আছে। বহুতো ব্যয়বহুল প্ৰকল্প ইয়াত গঢ় লৈ উঠা বাবে হাজাৰ হাজাৰ মানুহে ইয়াত কৰ্ম সংস্থাপন পাবলৈ সক্ষম হৈছে। ভিয়েনাত বৰ্তমান নিৰ্মিত হৈ আছে এছপাৰ্ন (Aspern) নামৰ এটা ব্যয়বহুল প্ৰকল্প য'ত ৫ হেক্টৰ মাটিত এটা কৃত্ৰিম হ্ৰদ নিৰ্মাণ কৰি থকা হৈছে। ২০২৮ চনত এই প্ৰকল্পটো সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

যোগাযোগ আৰু যাতায়াতৰ দিশত ভিয়েনা অতি আগবঢ়া। ইয়াৰ যাতায়াত ব্যৱস্থা অতি কম খৰচী। পৃথিৱীৰ আটাইতকৈ পুৰণি চিৰিয়াখানা হ'ফ'ৰ্বাৰ্গ (Hofburg) আৰু স্ক'নব্ৰান (Schonbrunn) ইয়াতেই অৱস্থিত। ভিয়েনাত প্ৰায় ১০০টা মান সংগ্ৰহালয় আছে।

ভিয়েনাত কলা-সংস্কৃতিৰ এক সুন্দৰ পৰিৱেশ বহু যুগ যুগ ধৰি বৰ্তি আছে। বিশেষকৈ ইয়াত থিয়েটাৰ, অপেৰা, শাস্ত্ৰীয় কলা আৰু ললিত কলাৰ অতি ব্যাপক সাধনা হোৱা দেখা যায়। ইয়াতেই জন্ম হৈছিল বিখ্যাত অভিনেতা হিদি লেমাৰ, খ্ৰিষ্ট্ৰফাৰ ৱালট আদিৰ। ইয়াৰোপৰি বিখ্যাত সঙ্গীতজ্ঞ লুই অষ্ট্ৰিন, এলবান বাৰ্গ আদিৰ জন্মও ভিয়েনাতে হৈছিল।

ভিয়েনাখন পৰ্যটকৰ বাবে এখন অতি সুন্দৰ চহৰ। বছৰি লাখ লাখ মানুহে ইয়ালৈ ভ্ৰমণ কৰিবলৈ আহে। ভিয়েনাত বহুতো ডাঙৰ ডাঙৰ প্ৰেক্ষাগৃহ আছে আৰু সেয়ে পৃথিৱীৰ ডাঙৰ ডাঙৰ বহু আলোচনা চক্ৰ ইয়াত পতা হয়। ইয়াত এনে কিছুমান সভাকক্ষ আছে য'ত একেলগে ২০,০০০ জন মানুহে অংশগ্ৰহণ কৰিব পাৰে।

ভিয়েনাৰ মানুহবোৰ বৰ সহজ-সৰল আৰু শান্তিপ্ৰিয়। তেওঁলোকৰ মাজত আত্মীয়তা বৰ বেছি। ইয়াত ৰাতি বহু দেৰিলৈকে মানুহে নিৰ্ভয়ে ৰাস্তাত ঘূৰি ফুৰিব পাৰে। এটা কথা মন কৰিবলগীয়া যে ইয়াৰ দোকান-পোহাৰবোৰ সন্ধিয়া অতি সোনকালে বন্ধ হৈ যায়। বিশেষকৈ বেংকবোৰ বন্ধ থকা দিনবোৰত ইয়াৰ বজাৰবোৰো প্ৰায়ে বন্ধ হৈ থাকে। ভিয়েনাত যদি জাৰ্মান ভাষা ক'ব পৰা নাযায় তেনেহ'লে ইয়াত মানুহৰ লগত যোগাযোগ কৰিবলৈ আৰু কৰ্ম সংস্থাপন পাবলৈ বৰ অসুবিধা হয়। ❖

# প্ৰসাধন

■ মহানন্দ শৰ্মা



প্ৰসাধন—বৰ্তমান সময়ৰ এক অত্যাৱশ্যকীয় সমল। প্ৰসাধন অবিহনে কিছুমান কথা এতিয়া ভাবিবই নোৱাৰি। কি চিনেমা, কি থিয়েটাৰ, কি নাটক—আনকি সাধাৰণ নাচ-গানতো প্ৰসাধনৰ প্ৰয়োজন উলাই কৰিব নোৱাৰি। সমাজৰ ভিন্ন শ্ৰেণীৰ লোকৰ মাজত সাধাৰণ জীৱন নিৰ্বাহতো প্ৰসাধনৰ প্ৰয়োজন আছে। এই প্ৰসাধনৰ লগত জড়িত হৈ আছে বিজ্ঞান আৰু ইতিহাস। এই লেখাত সামান্যভাৱে আলোচনা কৰা হৈছে প্ৰসাধনৰ অতীত-বৰ্তমানৰ বিষয়ে।

সাধাৰণতে দেখা যায়—প্ৰসাধনৰ প্ৰথম সম্পৰ্ক মহিলাৰ সৈতে। পিছে অতি পুৰণি কালত প্ৰসাধনৰ সৈতে একমাত্ৰ পুৰুষসকলৰহে সম্পৰ্ক আছিল। সময়ৰ লগে লগে প্ৰসাধন নাৰী-পুৰুষ উভয়ৰ বাবেই আপোন হৈ পৰে। এটা সময়ত প্ৰসাধনৰ লগত অভিনয় জগতৰ লগত জড়িত মানুহখিনিৰ সম্পৰ্ক আছিল নিবিড়। বৰ্তমান চিনেমা, থিয়েটাৰ, নাটক, গান, টেলিভিছন, ফেশ্বন শ্ব', বিয়া-বিহু আৰু আন উৎসৱ-পাৰ্বণতো প্ৰসাধন অত্যাৱশ্যকীয় হৈ পৰিছে। দেখিবলৈ শুৱনি হ'বলৈ যিদৰে প্ৰসাধন সানে, তেনেদৰে বিভিন্ন কাৰণত কুৎসিত দেখিবলৈও প্ৰসাধনৰ ব্যৱহাৰ হয়। এই প্ৰসাধনৰ এক নিজস্ব ইতিহাস আছে। ইতিহাস যুকিয়াই চালে আমি পাওঁ যে প্ৰসাধনজাতীয় সামগ্ৰীৰ প্ৰথম ব্যৱহাৰ হৈছিল ৩৫০ খ্ৰিষ্টপূৰ্বত। ইতিহাসবিদসকলে এই সম্পৰ্কে কিছু তথ্য লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰত্নতত্ত্ববিদসকলে লাভ কৰা তথ্য মতে, পুৰণি ইজিপ্তত এই সামগ্ৰীৰ ব্যৱহাৰৰ সূচনা হৈছিল। পাছত গ্ৰীকসকলেও ইয়াৰ ব্যৱহাৰ আৰম্ভ কৰে। ৰোমানসকলো এই প্ৰসাধন ব্যৱহাৰৰ ক্ষেত্ৰত পিছ পৰি নাথাকিল। কিন্তু সেই সময়ত প্ৰসাধন সামগ্ৰী বিজ্ঞানসন্মত নাছিল। স্বাভাৱিকতে সেই সময়ত বিজ্ঞান-প্ৰযুক্তিৰ উত্তৰণ সম্ভৱ হোৱা নাছিল বাবেই প্ৰসাধনৰ দোষ-গুণ বিচাৰ নকৰাকৈয়ে ইয়াৰ ব্যৱহাৰ কৰা হৈছিল। ইতিহাস আৰম্ভ হ'ল ঠিকেই। পিছে সৌন্দৰ্যবৰ্ধনৰ বাবে ব্যৱহাৰ কৰা প্ৰসাধনৰ গুণ-মান জনাৰ পূৰ্বেই ই সমাজত প্ৰচলিত হোৱাত নেতিবাচক প্ৰভাৱ পৰে ইয়াৰ ব্যৱহাৰকাৰীৰ মাজত। মানৱ শৰীৰত ক্ষতি কৰিব পৰা বহু সা-সমল এই প্ৰসাধনত সোমাই থকাত এইবোৰে শৰীৰত বহু সমস্যাৰ সৃষ্টি কৰিবলৈ ধৰিলে। আদিৰে পৰা প্ৰসাধন ব্যৱহাৰ কৰা লোকসকলৰ মাজত বিশেষকৈ ছাল আৰু মুখমণ্ডলত বিষাক্ত দ্ৰব্যই বিভিন্ন ৰোগৰ সৃষ্টি কৰিবলৈ লয়। কিয়নো, এনে প্ৰসাধনবোৰত মিহলি হৈ আছিল বিষাক্ত পাৰা আৰু সীহ।

## ইতিহাসে কি কয়?

অতীত ইতিহাসত প্ৰসাধনৰ ক্ষেত্ৰত ৰোমান আৰু ইজিপ্তীয়সকলে এই বিষাক্ত দ্ৰব্য ব্যৱহাৰ কৰাৰ তথ্য পোৱা গৈছে। ক'বলৈ গ'লে ৰোমান সাম্ৰাজ্যত আছিল প্ৰসাধনৰ বহুল ব্যৱহাৰ। এসময়ত ইজৰাইলৰ ৰাজপৰিয়ালেও প্ৰসাধন ব্যৱহাৰ কৰাৰ তথ্য জানিব পৰা গৈছে। অতীতত বহুলভাৱে প্ৰসাধন ব্যৱহাৰ কৰাৰ কথা বহুকেইখন ধৰ্মগ্ৰন্থতো উল্লেখ আছে। মধ্যযুগত সমাজৰ উচ্চ শ্ৰেণীৰূপে বিবেচিত লোকসকলৰ মাজতহে প্ৰসাধন ব্যৱহাৰৰ অনুমতি আছিল। তথাকথিত নিম্ন শ্ৰেণীৰ লোকৰ মাজত এনে সামগ্ৰী ব্যৱহাৰত বাধা-

নিষেধ আৰোপ কৰা হৈছিল। বহু গির্জাই প্ৰসাধন সামগ্ৰী ব্যৱহাৰত নিষেধাজ্ঞা জাৰি কৰিছিল। পশ্চিমীয়া সংস্কৃতিত কমসংখ্যক লোকেহে এই দ্ৰব্য ব্যৱহাৰৰ অনুমতি পাইছিল। আনহাতে, বিভিন্ন সমাজত প্ৰসাধন কেৱল গণিকাসকলৰ বাবেহে বুলি ভবা হৈছিল। সাধাৰণ লোকসকলে, বিশেষকৈ মহিলাসকলে প্ৰসাধন ব্যৱহাৰ কৰিবলৈ ভয় কৰিছিল। প্ৰসাধন সানিলেই গণিকাৰ শাৰীলৈ যাব বুলি বহু মহিলাই ভয়তে ইয়াক দূৰতে বিদূৰ কৰিছিল। হ'লেও সময় সলনিৰ লগে লগে এদিন-দুদিনকৈ সামাজিক বাধা-নিষেধ নেওচি মহিলাসকলে ইয়াক ব্যৱহাৰ কৰিবলৈ লয়। পঞ্চম শতিকাত ৰোমান সাম্ৰাজ্য পতনৰ লগে লগে ইউৰোপৰ অধিকাংশৰ পৰা প্ৰসাধন প্ৰায় অদৃশ্য হৈ পৰিছিল। মধ্যযুগত ক্ৰুছেডাৰসকলে মধ্যপ্ৰাচ্যৰ পৰা ইউৰোপলৈ উভতি যোৱাৰ সময়ত সুগন্ধি আৰু প্ৰসাধন লগত লৈ গৈছিল। অষ্টাদশ শতিকাত প্ৰসাধন কেৱল মহিলাসকলেহে ব্যৱহাৰ কৰে বুলি থকা ধাৰণা লাহে লাহে সলনি হ'ল। ইয়াক ক্ৰমে সমাজৰ সকলোৱে আদৰি ল'বলৈ ধৰিলে। এতিয়া সময় এনেকুৱা হ'ল যে সমাজৰ উচ্চ পৰ্যায়ৰ মহিলা সমাজে ইয়াক অতি উচ্চ আসনত উপৱিষ্ট কৰিবলৈও সক্ষম হ'ল। আজিৰ বিশ্বত মেক-আপ বা প্ৰসাধনৰ ইমানেই আদৰ যে ই সমগ্ৰ মানৱ সমাজকে আৱৰি পেলাইছে। প্ৰসাধন ব্যৱহাৰৰ ক্ষেত্ৰত পুৰুষ-মহিলা বুলি চিন-মোকাম নোহোৱা হৈ গ'ল। বিশ্বৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানে দিনে দিনে বজাৰত মেলি দিছে নানা ধৰণৰ প্ৰসাধন সামগ্ৰী। আধুনিক প্ৰসাধনসমূহৰ ভিতৰত আছে বিভিন্ন ধৰণৰ সৌন্দৰ্যবৰ্ধক ছালৰ যতন, ফাউণ্ডেচন, ফেচ পাউডাৰ, ক্লিনজাৰ, মইশ্চাৰাইজাৰ, আইলাইনাৰ, লিপষ্টিক, শ্বেম্পু, হেয়াৰ কালাৰ, ডাই, ব্লীচ, নেইল পলিছ, চুলিৰ পৰা চেলাউৰি সজোৱালৈকে আৰু যে কত কি! প্ৰসাধনৰ পৰা বাদ পৰা নাই শিশুসকলো। শিশুৰ পৰিচৰ্যাৰ সা-সমলবোৰো একপ্ৰকাৰ প্ৰসাধন। এনে প্ৰসাধনৰ সমলবোৰে শিশুৰ ছাল মসৃণ কৰি ৰখা বা বয়সস্থসকলৰ বয়সৰ ছাপ নপৰাৰ বাবেও এতিয়া বহুল প্ৰচলিত।

## প্ৰসাধন কিমান নিৰাপদ?

প্ৰসাধন বাস্তৱতে নিৰাপদ নহয়। ইয়াৰ কাৰণ হৈছে—ইয়াত ব্যৱহৃত ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্য। অৱশ্যে কেতিয়াবা আমাৰ দেহত ক্ষতি তাৎক্ষণিকভাৱে দেখা দিব পাৰে, অথবা কেতিয়াবা দীঘলীয়া সময়ৰ পাছতো দেখা দিব পাৰে। আমাৰ সমাজত প্ৰচলিত ভিন্ন দামৰ প্ৰসাধনবোৰৰ সকলোবোৰ প্ৰাকৃতিকভাৱে লাভ কৰা সমলেৰে প্ৰস্তুত কৰা নহয়। এনে প্ৰসাধনত মিশ্ৰণ ঘটোৱা হয় বিভিন্ন ৰাসায়নিক দ্ৰব্য। প্ৰতিবিধ প্ৰসাধনতে কম-বেছি পৰিমাণে বহুবিধ ৰাসায়নিক পদাৰ্থ ব্যৱহাৰ কৰা হয়। এইবোৰৰ অধিকাংশই আমাৰ শৰীৰৰ বাবে হানিকাৰক। বহু সময়ত এনে ৰাসায়নিক দ্ৰব্যই আমাৰ ছাল ৰঙচুৱা পৰা, খজুৱতি হোৱা, চকু জ্বলা-পোৱা কৰা অথবা আভ্যন্তৰীণ অংগতো পাৰ্শ্বক্ৰিয়াৰ সৃষ্টি কৰি শৰীৰৰ ক্ষতি কৰা দেখা যায়। বহুত এলাৰ্জিৰ কাৰণ হ'ব পাৰে ৰাসায়নিক প্ৰসাধন সামগ্ৰী। বিষাক্ত পদাৰ্থসমূহে মানৱ শৰীৰৰ চকু-কাণৰ লগতে কোষবোৰৰ পুষ্টিৰ ক্ষেত্ৰতো পৰিৱৰ্তন ঘটায়। কেতবোৰ প্ৰসাধনে ছালৰ ফুটা বন্ধ কৰি দিয়ে বাবে ছালে কষ্ট পায়। শেহতীয়াকৈ প্ৰসাধনৰ ক্ষেত্ৰত বহুকেইটা গৱেষণা সম্পন্ন কৰা হৈছে আৰু প্ৰসাধনে যকৃত, কিডনী আৰু মহিলাৰ স্তনৰ কৰ্কট, জৰায়ুৰ টিউমাৰ আদি ৰোগৰো বাহক হ'ব পাৰে বুলি নিশ্চিত কৰা হৈছে। বিভিন্ন প্ৰসাধনৰ সুগন্ধিয়ে হাঁপানী বা পাকস্থলীৰ ৰোগত ইন্ধন যোগায়। বিভিন্ন বিষাক্ত ৰাসায়নিক পদাৰ্থ শ্বাস-প্ৰশ্বাসৰ জৰিয়তে শৰীৰৰ ভিতৰলৈ যায়। ফলত গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত চৰ্বি বা দুগ্ধত সেইবোৰ পদাৰ্থ জমা হয়। ইয়াৰ পৰা সন্তানলৈ বিষক্ৰিয়া মাতৃয়ে প্ৰবাহিত কৰে। এনে নেতিবাচক দিশসমূহৰ বাবে ৰাসায়নিক প্ৰসাধনতকৈ প্ৰাকৃতিকভাৱে উপলব্ধ উপাদানবোৰ ব্যৱহাৰ কৰি প্ৰসাধন প্ৰস্তুত কৰাটোৱে বাঞ্ছনীয়। ৰাসায়নিক প্ৰসাধনৰ বিকল্পৰূপে আমাৰ সহজলভ্য গাখীৰ, মৌ, ক্ৰীম, কণী, কল আৰু অমিতাকে ধৰি বিভিন্ন ফলমূল, নাৰিকল তেল, জলফাই তেল, তিল, হালধি, চাহপাত, গাজৰ, তিয়ঁহ, আলু, দাইল, গোলাপ ফুল, ছালকুঁৱৰী, জেতুকা আদিৰ যতন বিজ্ঞানসন্মতভাৱে ব্যৱহাৰ কৰি উপকৃত হ'ব পাৰি। ❖

# ৰংগনাথন—ভাৰতীয় গ্ৰন্থাগাৰ বিজ্ঞানৰ জনক

■ সীমান্ত কলিতা



গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ত আগবঢ়োৱা অনবদ্য অৱদান তথা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত গ্ৰন্থাগাৰ স্থাপন আৰু বিকাশৰ বাবে কাম কৰা ব্যক্তিজনেই ড° শিয়ালী ৰামমৃত ৰংগনাথন। তেওঁক ভাৰতবৰ্ষৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ পিতৃ বুলি কোৱা হয়। তেওঁৰ জন্ম হৈছিল ১৮৯২ চনৰ ৯ আগষ্টত তামিলনাডুৰ তাঞ্জাভুৰ জিলাৰ শিয়ালী নামৰ গাঁৱত।

ৰংগনাথনে শিয়ালীত স্কুলীয়া শিক্ষা আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ উচ্চ শিক্ষা লৈ মাদ্ৰাজৰ প্ৰেছিডেন্সী কলেজত অধ্যাপক হিচাপে যোগদান কৰে।

১৯২৪ চনত তেওঁ প্ৰেছিডেন্সী কলেজ এৰি মাদ্ৰাজ বিশ্ববিদ্যালয়ত প্ৰথম গ্ৰন্থাগাৰিক হিচাপে যোগদান কৰে আৰু গ্ৰন্থাগাৰ বিজ্ঞান অধ্যয়নৰ বাবে ইংলেণ্ডলৈ যায়। তাত ক্ৰয়ডন পাব্লিক লাইব্ৰেৰীৰ (Croydon Public Library) প্ৰখ্যাত গ্ৰন্থাগাৰিক ডব্লিউ চি বাৰউইক চেয়াৰচ্‌ৰ সংস্পৰ্শলৈ আহে। লণ্ডন বিশ্ববিদ্যালয়ৰপৰা ১৯২৫ চনত তেওঁ গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰি ভাৰতবৰ্ষলৈ উভতি আহে।

ৰংগনাথনৰ মতে পুথিভঁৰাল কেৱল পুথি সংগ্ৰহ কৰি ৰখা স্থানেই নহয়, ই হৈছে সমাজৰ প্ৰত্যেক লোকক প্ৰয়োজনীয় সেৱা আগবঢ়োৱা আৰু এখন সমাজক তথা এখন দেশক শিক্ষা, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত চহকী কৰি ৰখা একোটা ৰাজহুৱা অনুষ্ঠান।

১৯৩১ চনত তেওঁ বিখ্যাত 'ফাইভ লজ অব লাইব্ৰেৰী ছায়েন্স' অৰ্থাৎ গ্ৰন্থাগাৰ বিজ্ঞানৰ পাঁচটা অতি গুৰুত্বপূৰ্ণ সূত্ৰ আগবঢ়াইছিল।

১৯৪৭ চনত ৰংগনাথনে দিল্লী বিশ্ববিদ্যালয়ত যোগদান কৰে। কিন্তু তাত তেওঁ কেৱল শিক্ষকতা আৰু গৱেষণা কৰ্মত মনোনিৱেশ কৰে। তেওঁৰ প্ৰচেষ্টাত ১৯৪৭ চনৰপৰা ১৯৫০ চনৰ ভিতৰত দিল্লী বিশ্ববিদ্যালয়ে পোনপ্ৰথমবাৰৰ বাবে গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ৰ স্নাতক তথা স্নাতকোত্তৰ ডিগ্ৰীৰ পাঠ্যক্ৰম আৰম্ভ কৰে। ৰাজহুৱা গ্ৰন্থাগাৰসমূহৰ বিকাশৰ বাবে 'ৰাজহুৱা গ্ৰন্থাগাৰ' প্ৰৱৰ্তনৰ ক্ষেত্ৰত ড° ৰংগনাথনে বিশেষভাৱে আগভাগ লৈছিল।

ৰংগনাথনৰ অন্যতম অৱদান হৈছে 'কলন ক্লাছিফিকেশ্বন' (Colon Classification) আৰু গ্ৰন্থাগাৰ বিজ্ঞানৰ ক্ষেত্ৰত আগবঢ়োৱা পাঁচটা বিখ্যাত সূত্ৰ। ৰংগনাথনে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থৰ নাম হ'ল—ক্লাছিফাইড কেটেলগ ক'ড (Classified Catalogue Code), ক্লাছিফিকিছন এণ্ড কমিউনিকেচন (Classification and Communication), দা ফাইভ লজ অব লাইব্ৰেৰী ছায়েন্স (The Five Laws of Library Science), কলন ক্লাছিফিকেশ্বন (Colon Classification), ৰামানুজন : দা মেন এণ্ড দা মেথমেটিচিয়ান (Ramanujan : The Man and the Mathematician) আদি।

ৰংগনাথনৰ এনে অবিস্মৰণীয় অৱদানৰ বাবে ভাৰত চৰকাৰে তেওঁক ১৯৫৭ চনত পদ্মশ্ৰী সন্মান আগবঢ়ায়। ১৯৭২ চনৰ ২৭ ছেপ্টেম্বৰ তাৰিখে বাংগালুৰুত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ভাৰতৰ গ্ৰন্থাগাৰ বিজ্ঞানৰ ব্যাপক উন্নতি সাধন কৰি বিশ্বত খ্যাতি লাভ কৰা এইগৰাকী মহান পণ্ডিতৰ প্ৰতি সন্মান জনাই প্ৰত্যেক বছৰে ভাৰতবৰ্ষত ১২ আগষ্টৰ দিনটো 'গ্ৰন্থাগাৰিক দিৱস' হিচাপে পালন কৰি অহা হৈছে। ❖

## মানসিক সামৰ্থ্য বিকাশ

■ **ৰবীন্দ্ৰ বৰ্মন**

1. তলৰ অনুক্ৰমটোৰ ভুল সংখ্যাটো বাছি উলিওৱা :

   56, 58, 62, 70, 84, 118, 182

   a) 58 b) 62 c) 84 d) 118

2. '?' চিনৰ ঠাইত কি বহিব?

   ABP, CDQ, EFR, ?

   a) GHS b) GHT c) HGS d) GHR

3. তলৰ অনুক্ৰমটোৰ '?' চিনৰ ঠাইত কি বহিব?

   AB, DEF, HIJK, ? , STUVWX

   a) LMNO b) LMNOP c) MNOPQ d) QRSTU

4. শুদ্ধ ক্ৰমত সজোৱা :

   1. বেমাৰ 2. চিকিৎসা 3. আৰোগ্য 4. বীজাণু 5. ডাক্তৰ

   a) 2, 1, 3, 4, 5 b) 4, 1, 5, 2, 3 c) 5, 4, 2, 1, 3 d) 2, 4, 5, 3, 1

5. তলৰ সংখ্যাটোত এনে কিমানটা 8 আছে যাৰ পূৰ্বৱৰ্তী অংকটো যুগ্ম আৰু পৰৱৰ্তী অংকটো অযুগ্ম?

   1843814832878485687841 86

   a) 3 b) 4 c) 9 d) 5

6. কোনো এটা বৰ্ষৰ 1 অক্টʼবৰ তাৰিখটো এটা দেওবাৰ হʼলে সেই বৰ্ষৰ 1 নৱেম্বৰ তাৰিখে কি বাৰ?

   a) সোমবাৰ b) মঙলবাৰ c) বুধবাৰ d) বৃহস্পতিবাৰ

7. নীলাই কʼলে, 'অনিতাৰ পিতৃ ৰমেন মোৰ শহুৰ মোহনৰ একমাত্ৰ পুত্ৰ।' অনিতাৰ ভনীয়েক বিৰিণা, মোহনৰ কি হয়?

   a) ভতিজী b) জীয়েক c) পত্নী d) নাতিনী


**উত্তৰসমূহ :**

1. c 2. a 3. c 4. b 5. b 6. c 7. d

# সৰ্বত্ৰ ঘূৰি ফুৰা 'নিগনি'টো

■ অভিজিত শৰ্মা বৰুৱা

নিগনিৰ ইংৰাজী প্ৰতিশব্দ 'মাউছ' (Mouse)। পাছে এতিয়া নিগনি বুজাবলৈ 'মাউছ' শব্দৰ ব্যৱহাৰ যিমান, কম্পিউটাৰৰ এক অত্যাৱশ্যকীয়, উপাংশ বুজাবলৈ এই শব্দৰ ব্যৱহাৰ তাতকৈ বহুত বেছি আৰু কম্পিউটাৰৰ লগতে তাৰো বিচৰণক্ষেত্ৰ সৰ্বত্ৰ।



কম্পিউটাৰ মাউছনো কি? কম্পিউটাৰৰ ব্যাপক ব্যৱহাৰ আৰু জনপ্ৰিয়তাৰ পৰিপ্ৰেক্ষিতত মাউছ চিনি নোপোৱা মানুহ বোধকৰো নায়েই। তথাপি মাউছ কি বুলি সুধিলে ক'ব লাগিব যে মাউছ হ'ল কম্পিউটাৰৰ এবিধ 'পইণ্টিং' কৌশল, যিকোনো সমতলত এক সঁজুলিৰ দ্বিমাত্ৰিক গতিৰ ওপৰত নিৰ্ভৰ কৰি ই নিজৰ কাম সম্পাদন কৰে। মানে সেই সমতলত মাউছৰ গতিৰ লগত সংগতি ৰাখি একে সময়তে কম্পিউটাৰৰ মণিটৰ বা ডিছপ্লেৰ ওপৰত এডাল 'পইণ্টাৰ' বা 'কাৰ্ছ'ৰ ঘূৰি ফুৰে। কম্পিউটাৰ মাউছ আচলতে এবিধ ইনপুট কৌশল। তাৰ বাটনত ক্লিক কৰি দিলে নিৰ্দিষ্ট তথ্য বা আদেশ কম্পিউটাৰলৈ যায় আৰু কম্পিউটাৰে সেইমতে কাম কৰে। কী ব'ৰ্ডৰ লগতে মাউছৰ ব্যৱহাৰে কম্পিউটাৰক যেন সম্পূৰ্ণ কৰি তুলিলে।

কম্পিউটাৰ মাউছৰ আৱিষ্কাৰক হ'ল ডগলাছ কাৰ্ল এংগেলবাৰ্ট নামৰ এজন আমেৰিকান অভিযন্তা তথা আৱিষ্কাৰক। ২০১৩ চনৰ ২ জুলাইত ৮৮ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। মানুহ আৰু কম্পিউটাৰৰ আন্তঃক্ৰিয়াৰ ক্ষেত্ৰত দেখা দিয়া প্ৰত্যাহ্বান আৰু সমস্যাবোৰৰ সমাধান কৰাত গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা বাবে এংগেলবাৰ্ট বিখ্যাত আছিল। কিন্তু তেওঁৰ আটাইতকৈ প্ৰখ্যাত আৱিষ্কাৰ আছিল কম্পিউটাৰ মাউছ। সাধাৰণ 'ক্লিক' এটা কৰি কম্পিউটাৰক নিৰ্দেশ দিব পৰা আৰু কম্পিউটাৰেও সেই নিৰ্দেশ মানি চলা তেনেই সহজ যেন লগা এই সঁজুলিটো এক কথাত অনবদ্য আছিল। আন এজন অভিযন্তা বিল ইংলিছৰ সৈতে তেওঁ এই আৱিষ্কাৰ কৰিছিল। হওঁতে তেওঁ কম্পিউটাৰবোৰৰ নেটৱৰ্ক কৰিব পৰা এক পদ্ধতি আৱিষ্কাৰ কৰিছিল, 'হাইপাৰটেক্সট' নামৰ এক কৌশলৰ বিকাশ কৰিছিল, 'গ্ৰাফিকেল ইউজাৰ ইণ্টাৰফেজ'ৰ পূৰ্বসূৰী কিছু আৱিষ্কাৰো কৰিছিল। পাছে বেছিভাগে তেওঁক কম্পিউটাৰ মাউছৰ স্ৰষ্টা হিচাপেহে ভালকৈ জানে। ক'বলৈ গ'লে সৰু যেন লাগিলেও এই মাউছটোৱে কম্পিউটাৰ ব্যৱহাৰৰ ক্ষেত্ৰখনত এক যুগান্তৰে সূচনা কৰিলে আৰু আগতে টান যেন লগা বহুতো কাম সহজ কৰি তুলিলে।

১৯৬৯ চনত এংগেলবাৰ্টে যি মাউছ আৱিষ্কাৰ কৰিছিল, তাত এটা কাঠৰ খোলা আছিল আৰু লগতে আছিল ধাতুৰ দুটা চকা। তাৰ নামো মাউছ নাছিল। কৃতিস্বত্বৰ বাবে প্ৰেৰণ কৰা আবেদনখনত তাক 'এক্স-ৱাই পজিছন ইণ্ডিকেটৰ ফৰ এ ডিছপ্লে ছিষ্টেম' বুলি লিখা হৈছিল। এংগেলমাৰ্টে কোৱা মতে পাছত এই সঁজুলিটো 'মাউছ' বা নিগনি নামেৰে বেছি বিখ্যাত হৈ পৰাৰ কাৰণ হ'ল তাৰ আকাৰটো নিগনিৰ দৰে আছিল আৰু পিছফালৰ পৰা নিগনিৰ দৰে এক দীঘল তাঁৰ ওলাই থাকে। এংগেলমাৰ্টৰ দলে মণিটৰত দেখা যোৱা 'কাৰ্ছ'ৰডালৰ নাম 'বাগ' ৰাখিছিল যদিও মাউছৰ দৰে এই নামটো জনপ্ৰিয় নহ'ল। যদিও তেওঁলোকৰ কম্পিউটাৰ মাউছটো এতিয়াৰ মাউছৰ তুলনাত বহুত বেলেগ আছিল, তথাপি এনে মাউছে কম্পিউটাৰৰ দক্ষতা যথেষ্ট বঢ়াব পাৰিছিল আৰু কম্পিউটাৰৰ

নিয়ন্ত্ৰণ সহজ কৰি তুলিছিল। ১৯৭২ চনত এংগেলবাৰ্টৰ প্ৰজেক্ট সহযোগী বিল ইংলিছে এটা ৰলাৰ বল মাউছ সাজি উলিয়ায়। সেইটো আগৰটোতকৈ বেছ উন্নত আছিল।

এংগেলবাৰ্টৰ সমসাময়িকভাৱে জাৰ্মান কোম্পানী টেলিফুনকেনে ‘ৰলকুজেল’ বা ‘ৰলিং বল’ নামেৰে এক মাউছ কৌশল আৱিষ্কাৰ কৰিছিল। ইয়াত আজিকালিৰ কিছুমান মাউছৰ দৰে এটা বল ব্যৱহাৰ কৰা হৈছিল। তেওঁলোকৰ নিজৰ মেচিনত সেই কৌশল ব্যৱহাৰ কৰা হ’লেও টেলিফুনকেনে ইয়াৰ কৃতিস্বত্বৰ বাবে আবেদন নকৰিলে আৰু পাছত এংগেলবাৰ্টেই মাউছৰ আৱিষ্কাৰক হিচাপে খ্যাতি অৰ্জন কৰিলে।

মাউছ আৱিষ্কাৰৰ বাবে এংগেলবাৰ্টে কিন্তু খ্যাতিৰ বাহিৰে বিশেষ ধন-বিত বা ৰয়েল্টি আৰ্জন কৰিব পৰা নাছিল। কাৰণ সেই আৱিষ্কাৰৰ কৃতিত্ব তেওঁ পালেও মাউছৰ ব্যৱসায়িক কৃতিস্বত্ব তেওঁ কাম কৰা ষ্টানফ’ৰ্ড ৰিছাৰ্চ ইন্সটিটিউটৰ নামত আছিল। পাছে ষ্টানফ’ৰ্ড ৰিছাৰ্চ ইন্সটিটিউটেও মাউছৰ পৰা সিমান লাভ কৰিব নোৱাৰিলে, কাৰণ প্ৰথম পৰ্যায়ৰ মাউছবোৰৰ স্পীড আৰু শুদ্ধতা কম আছিল বাবে সেইবোৰে এতিয়াৰ দৰে জনপ্ৰিয়তা অৰ্জন কৰিব পৰা নাছিল আৰু ব্যক্তিগত কম্পিউটাৰো তেতিয়া খুব বেছি নাছিল। মাউছৰ বহুল ব্যৱহাৰ হয়গৈ মানে কৃতিস্বত্বৰ সময়সীমা উকলি গ’ল আৰু যিকোনো লোক বা প্ৰতিষ্ঠানে ইয়াক তৈয়াৰ কৰিব পৰা হ’ল।

ব্যক্তিগত ব্যৱহাৰৰ বাবে তৈয়াৰ কৰা কম্পিউটাৰবোৰৰ ভিতৰত অগ্ৰণী আছিল ‘জেৰক্স অলটো’ নামৰ এবিধ কম্পিউটাৰ আৰু তাত মাউছ ব্যৱহাৰ কৰা হৈছিল। তাৰ পাছত ‘লিলিথ’ নামৰ আন এক শ্ৰেণীৰ কম্পিউটাৰতো মাউছ ব্যৱহাৰ হ’বলৈ ল’লে। ১৯৮৪ চনত মেকিনটোছ প্ৰতিষ্ঠানে মাউছৰ এক উন্নত প্ৰকাৰ ব্যৱহাৰ কৰিবলৈ ল’লে। তাৰো আগতে ১৯৮২ চনত বিল গেটছৰ মাইক্ৰ’ছফট প্ৰতিষ্ঠানে মাইক্ৰ’ছফট ৱৰ্ড প্ৰগ্ৰেমটো মাউছৰ দ্বাৰা কাম কৰা বিধৰ কৰিবলৈ সিদ্ধান্ত কৰিলে আৰু তেওঁলোকৰ ব্যক্তিগত কম্পিউটাৰত ব্যৱহাৰ কৰিব পৰা বিধৰ মাউছ তৈয়াৰ কৰিলে। মাইক্ৰ’ছফটৰ মাউছে অচিৰেই জনপ্ৰিয়তা অৰ্জন কৰিলে আৰু বহুতে ধাৰণা কৰে যে মাইক্ৰ’ছফট মেকিনটোছৰ তুলনাত বেছি আগবাঢ়ি যাব পৰাৰ মূল কাৰণেই আছিল মাউছ।

সাধাৰণ মাউছ এটাত দুটা বাটন থাকে। সেই দুটাক সোঁ আৰু বাঁও বাটন বুলি কোৱা হয় আৰু সেই দুটাত ক্লিক কৰি প্ৰয়োজনীয় নিৰ্দেশ দিব পাৰি বা তথ্য প্ৰেৰণ কৰিব পাৰি। তদুপৰি বাটন দুটাৰ মাজত এটা স্ক্ৰ’লিং চকা থাকে। সাধাৰণতে মাউছবোৰ সোঁহতীয়া মানুহৰ ব্যৱহাৰৰ বাবে উপযোগীকৈ সজা হয়। অৱশ্যে বাঁওহতীয়া মানুহৰ বাবে সজা মাউছো আছে। আজিকালি কৰ্ডলেছ বা তাঁৰৰ সংযোগ নথকা মাউছো বজাৰত পোৱা যায়। তদুপৰি ছিংগল ক্লিক, ডাবল ক্লিক, ট্ৰিপল ক্লিক আদি থকা মাউছো আছে। আমি ব্যৱহাৰ কৰা মাউছবোৰ সাধাৰণতে ডাবল ক্লিক মাউছ। অৱশ্যে কম্পিউটাৰৰ কণ্ট্ৰল পেনেললৈ গৈ মাউছৰ ‘ডাবল ক্লিক ছেটিং’টোক ‘ছিংগল ক্লিক ছেটিঙ’লৈ সলনি কৰিব পাৰি।

প্ৰথম পৰ্যায়ৰ মাউছবোৰ ৰলাৰ বল মাউছ আছিল। পাছে তাৰ পাছত অপটিকেল মাউছ ওলাল আৰু ৰলাৰ বল মাউছে জনপ্ৰিয়তা হেৰুৱাবলৈ আৰম্ভ কৰিলে। তাৰো পাছত লেজাৰ মাউছ আৰু এনে মাউছে অপটিকেল মাউছৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিলে। ৰলাৰ বল মাউছৰ বাবে এখন ৰাবাৰ মেট লাগিলেও বাকী দুটাৰ বাবে তাৰ প্ৰয়োজন নাই।

আধুনিক ৰলাৰ বল মাউছত পোহৰৰ ব্যৱহাৰো আছে। তেনে মাউছত এটা ট্ৰেকিং বল থাকে যি মাউছৰ তলেদি যিকোনো দিশত ঘূৰিব পাৰে। বলটোৰ লগত দুটা ৰলাৰ লাগি থাকে আৰু সিহঁতে ট্ৰেকিং বলটোৰ গতিপথ ‘অনুভৱ’ কৰিব পাৰে। সেইকেইটা আকৌ ক্ষুদ্ৰ বিন্ধাযুক্ত ডিস্কৰ লগত সংযোজিত হৈ থাকে। সেই ডিস্কখন এল ই ডিয়ে পোহৰাই তুলিব পাৰে। পোহৰে ঘূৰ্ণীয় গতি আৰু দিশ সম্পূৰ্ণৰূপে ধৰি ৰাখি সেই সংকেত এক ক্ষুদ্ৰ ‘অনব’ৰ্ড আই চি’লৈ (ইন্টিগ্ৰেটেড চাৰ্কিট বা অনুকূলিত বৰ্তনী) পঠিয়ায়। এই আই চিয়ে তথ্যবোৰ কম্পিউটাৰে বুজা ‘বাইনেৰী ডাটা’লৈ সলনি

কৰে আৰু কম্পিউটাৰৰ ছফটৱেৰ মণিটৰত ‘কাৰ্চ্চৰ’ডালক নিৰ্দিষ্ট স্থানলৈ যাবলৈ নিৰ্দেশ দিয়ে। বলকেইটা মাজে মাজে চাফা কৰি থাকিলে এই মাউছে বেছ সুদক্ষভাৱে কাম কৰিব পাৰে। পাছে এতিয়া তেনে ধৰণৰ মেকানিকেল মাউছৰ দিন উকলিছে, আৰু তাৰ সলনি কোনো চলমান অংশ নথকা ‘অপটিকেল মাউছ’ আৰু ‘লেজাৰ মাউছ’ৰ দিন আৰম্ভ হৈ গৈছে।

অপটিকেল মাউছত এটা সৰু এল ই ডি থাকে। এই এল ই ডিটোৱে প্ৰায়ে ৰঙা পোহৰ বিকিৰণ কৰে। তদুপৰি তাত থাকে মাইক্ৰকেমেৰাৰ দৰে এক অৰ্ধপৰিবাহী ছেন্সৰ। এই অংশই ধৰি ৰখা প্ৰতিচ্ছবিবোৰ এটা ‘ডিজেটেল ছিগনেল প্ৰচেছৰ’লৈ যায়। এই অংশই সেই প্ৰতিচ্ছবিবোৰৰ তুলনা কৰি মাউছৰ লৰচৰৰ সজ্জা নিৰূপণ কৰে। তাৰ পাছত আগৰ দৰে এক ‘অনবৰ্ড আই চি’য়ে তথ্যবোৰ কম্পিউটাৰে বুজা ‘বাইনেৰী ডাটা’লৈ সলনি কৰে আৰু কম্পিউটাৰৰ ছফটৱেৰ মণিটৰত ‘কাৰ্চ্চৰ’ডালক নিৰ্দিষ্ট স্থানলৈ যাবলৈ নিৰ্দেশ দিয়ে। প্ৰতি ছেকেণ্ডত তথ্যবোৰ এশতকৈও বেছিবাৰ ‘আপডেট’ হয় বাবে ‘কাৰ্চ্চৰ’ডালৰ গতি বেছ দ্ৰুত আৰু শুদ্ধ হয়।

লেজাৰ মাউছত এল ই ডিৰ সলনি ইনফ্ৰাৰেড লেজাৰ ডায়ড ব্যৱহাৰ কৰা হয়। এই মাউছে একেধৰণে কাম কৰিলেও ই অপটিকেল মাউছতকৈ প্ৰায় বিছগুণ বেছি সুদক্ষ। তদুপৰি ইয়াত শক্তিৰ খৰচো কম হয়।

এতিয়া কৰ্ডলেছ বা ৱায়াৰলেছ মাউছো ব্যৱহাৰ কৰা হয়। নামটোৱে সূচোৱাৰ দৰেই এনেবিধ মাউছত কোনো তাঁৰ বা ৱায়াৰ নাই। তাৰ সলনি ইয়াত ব্লুটুথ, আৰ এফ, ইনফ্ৰাৰেড ৰেডিঅ’ তৰংগ আদি অনাতাঁৰ প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। সাধাৰণতে এটা ইউ এছ বি ৰিচিভাৰ কম্পিউটাৰটোত লগোৱা থাকে আৰু ই কৰ্ডলেছ মাউছটোৰ পৰা সংকেত গ্ৰহণ কৰে। কৰ্ডলেছ মাউছত শক্তি যোগানৰ বাবে বেটাৰীৰ প্ৰয়োজন। ❖

## কুইজৰ উত্তৰসমূহ

১) টি এন শেষাণ। ২) গুজৰাটৰ গিৰ ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত কেৱল তেওঁ ভোটদান কৰিবৰ বাবে বিগত ১৫ বছৰে এটা ভোটকেন্দ্ৰ স্থাপন কৰি অহা হৈছিল। ৩) প্ৰথমখন দিবা-নৈশ টেষ্ট মেচ। ৪) ফ্লোৰেন্স নাইটিংগেলৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি। ৫) সুন্দৰ পিচাই। ৬) শাৰদ অৰৱিন্দ ব’বডে। ৭) পোলেণ্ড। ৮) মুম্বাই ডাব্বাৱালা। ৯) অসমৰ প্ৰথমখন থ্ৰী ডি এনিমেচন ছবি। ১০) ছাউথ এছিয়ান গেমছ। ১১) দুগ্ধ উৎপাদন। ১২) হীৰেন ভট্টাচাৰ্য। ১৩) শ্ৰীঅৰৱিন্দ। ১৪) গ্ৰেটা থুনবাৰ্গ। ১৫) বক্সিং। ১৬) Sportskeeda। ১৭) বেঞ্জামিন ফ্ৰেংকলিন। ১৮) ২৫ ডিছেম্বৰ। ১৯) ৰঘুৰাম গোবিন্দ ৰাজন। ২০) হিমাচল প্ৰদেশ। ❖

## তোমালোকৰ বাবে প্ৰশ্ন


১। নিলুম্বু নুচিফেৰা (Nelumbo nucifera) আমাৰ ভাৰতীয় নাগৰিকৰ বাবে অতি গুৰুত্বপূৰ্ণ এবিধ ফুলৰ বৈজ্ঞানিক নাম। ফুলবিধৰ নাম কি? ২। সেনাবাহিনীৰ কমিছন্ড অফিচাৰৰ ৰেংক মতে তলৰ পৰা এনে—লেফটেনেণ্ট, কেপ্টেইন মেজৰ, লেফটেনেণ্ট কৰ্ণেল, কৰ্ণেল, ...., মেজৰ জেনেৰেল, লেফটেনেণ্ট জেনেৰেল আৰু জেনেৰেল। খালী ঠাইত কি হ’ব? ৩। এই মূৰ্তিটোৰ ওজন ২৪,৬৩৫ টন। ইয়াৰে ভিতৰত তামৰ ওজন ২৮ টন, ইস্পাতৰ ওজন ১১৩ টন। উচ্চতা ৯২.৯৯ মিটাৰ, নাকটো ১.৪৮ মিটাৰ আৰু তৰ্জনী আঙুলি ২.৪৪ মিটাৰ দীঘল। মূৰ্তিটো কি? ৪। টাইগ্ৰীছ আৰু ইউফ্ৰেটিছ নদী দুখনৰ মাজভাগৰ ভূখণ্ডত এখন বিখ্যাত প্ৰাচীন চহৰ আছে। চহৰখনৰ নাম কি? ৫। ‘ব্ৰীজ অব্ ছাই’ (Bridge of Sigh) ক’ত অৱস্থিত? ❖



পোংগল



চিলা উৰুৱা উৎসৱ



প্ৰথমখন উৰাজাহাজ



উইলবাৰ ৰাইট



অৰভিল ৰাইট